সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক
# ৰঙিলী বাৰ্ত্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,২০ সংখ্যা, ৩ জেঠ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 20 Date of Publication- 18 May 2025 Rs. 10.00/-

## অসম আৰক্ষীৰ 'অপাৰেচন ঘোষ্ট ছীম'ৰ জালত পৰিল ৭ চাইবাৰ জেহাদী



ৰঙিলী বাৰ্ত্তাসেৱা- ভুৱা ছীমকাৰ্ডেৰে চাইবাৰ ক্ৰাইম আৰু দেশবিৰোধী কাৰ্যকলাপত জড়িত এটা বৃহৎ চক্ৰ উৎখাত অসম আৰক্ষীৰ। শেহতীয়াকৈ ভাৰতীয় সেনাৰ গজৰাজ কৰ্পছৰ চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত অসম আৰক্ষীৰ এছটিএফে অভিযান চলাই দেশৰ বিভিন্ন প্ৰান্তৰ পৰা মুঠ ৭টা চাইবাৰ জেহাদীক গ্ৰেপ্তাৰ কৰে। অসম আৰক্ষীৰ উলুবাৰীৰ মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদ মেলত আৰক্ষী সঞ্চালকপ্ৰধান হৰমিট সিঙে জানিবলৈ দিয়া মতে, ভাৰতীয় সেনাৰ পৰা পোৱা তথ্যৰ ভিত্তিত অভিযানটোক 'অপাৰেচন ঘোষ্ট ছীম' শীৰ্ষক নাম দি এছটিএফৰ কেইবাটাও দলে ৰাজস্থান, তেলেংগানা, ধুবুৰী আৰু মৰিগাঁও জিলাৰ লগতে দিল্লী আৰু গুৱাহাটী বিমানবন্দৰত চলোৱা অভিযানৰ অন্তত ধৃত ৭ চাইবাৰ জেহাদীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ধৃত জেহাদীকেইটা হৈছে ক্ৰমে ৰাজস্থানৰ ছাদ্দিক, আৰিফ খান, ছাজিদ, আকিক, আৰছাদ খান, ধুবুৰী জিলাৰ মফিজুল ইছলাম আৰু জাকাৰীয়া আহমেদ। উদ্বেগজনক বিষয়টো হৈছে যে অসমৰ পৰা কঢ়িয়াই নিয়া ছীম কাৰ্ডেৰে জেহাদীৰ দলটোৱে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত চাইবাৰ আক্ৰমণৰ প্ৰস্তুতি চলাইছিল। উল্লেখ্য যে অসম আৰক্ষীয়ে বিগত কিছুদিন পূৰ্বে গজৰাজ কৰ্পছৰ পৰা ভুৱা ছীম কাৰ্ড সন্দৰ্ভত এক তথ্য লাভ কৰিছিল। উক্ত তথ্যৰ আধাৰতে বিশেষ শাখাই বিষয়টো অধ্যয়ন কৰি এছটিএফক অৱগত কৰে। তাৰ পাছতে এছটিএফে যোৱা ১৬ মে'ত 'অপাৰেচন ঘোষ্ট ছীম' আৰম্ভ কৰে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিট সিঙে কয় যে এছটিএফৰ কেইবাটাও দলে পৃথকে পৃথকে যোৱা ১৬ মে'ৰ পৰা ৰাজস্থান, তেলেংগানা আৰু অসমত অভিযান আৰম্ভ কৰে। ধৃত ৭ জেহাদীৰ ভিতৰত ৰাজস্থানৰ ভৰতপুৰ জিলাৰ আকিক আৰু আৰছাদ খানক ক্ৰমে গুৱাহাটী বিমানবন্দৰ আৰু নতুন দিল্লীৰ বিমানবন্দৰৰ পৰা এছটিএফে গ্ৰেপ্তাৰ কৰিছে। ধৃত চাইবাৰ জেহাদীৰ পৰা এছটিএফে ৯৪৮খন ছীম কাৰ্ড জব্দ কৰিছে। (দহ পৃষ্ঠাত চাওক)

## ৰাহুল গান্ধীলৈ বিশেষ আহ্বান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তানৰ সৈতে যোৰহাটৰ সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ সুমধুৰ সম্পৰ্ক সন্দৰ্ভত ৰাজ্য চৰকাৰে চলাই থকা তদন্তৰ মাজতে বিদেশলৈ যাব লগা সৰ্বদলীয় দলত কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ নাম অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাহুল গান্ধীয়ে দিয়া তালিকাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰতৰ স্থিতি স্পষ্ট কৰিবলৈ বিদেশলৈ পঠিয়াবলগীয়া সৰ্বদলীয় প্ৰতিনিধি দলত গৌৰৱ গগৈৰ নাম উল্লেখ কৰাক লৈ কংগ্ৰেছক সমালোচনা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। মুখ্যমন্ত্ৰী ড° শৰ্মাই গৌৰৱ গগৈৰ প্ৰসংগত সামাজিক মাধ্যমযোগে উল্লেখ কৰে যে- তালিকাখনত নাম উল্লেখ কৰা এগৰাকী সাংসদে (অসমৰ) তেওঁৰ দীৰ্ঘদিনীয়া পাকিস্তান ভ্ৰমণ কৰাৰ বিষয়ে ( দুই পৃষ্ঠাত চাওক)

## মৰণফান্দত পৰিণত হৈছে মহানগৰীৰ নিৰ্মীয়মাণ উৰণ সেতু



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰবাসীৰ যানজটমুক্ত সুচল যাতায়াত ব্যৱস্থা প্ৰদানৰ বাবে মহানগৰীৰ বিভিন্ন স্থানত চলিছে উৰণ সেতুৰ নিৰ্মাণকাৰ্য। ৰাজ্য চৰকাৰে জনসাধাৰণৰ সুবিধাৰ বাবে উৰণ সেতু নিৰ্মাণৰ কাম আৰম্ভ কৰিছে যদিও ঠিকাদাৰী প্ৰতিষ্ঠান আৰু বিভাগীয় কৰ্তৃপক্ষৰ বিষয়া কৰ্মচাৰীৰ দায়িত্বহীনতাত এতিয়া মৰণফান্দত পৰিণত হৈছে নিৰ্মীয়মাণ উৰণ সেতু। ঠিকাদাৰী প্ৰতিষ্ঠানে উৰণ সেতুৰ নিৰ্মাণকাৰ্যত জড়িত শ্ৰমিকৰ সুৰক্ষাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰাকৈ চলাই আহিছে নিৰ্মাণকাৰ্য। যাৰ ফলত নিৰ্মীয়মাণ উৰণ সেঁতুত সংঘটিত হৈছে এটাৰ পাছত আনটো দুৰ্ঘটনা। কিছুদিন পূৰ্বে আমবাৰী-বামুণীমৈদাম সংযোগী নিৰ্মীয়মাণ উৰণ সেতুত এজন শ্ৰমিক বিদ্যুৎস্পৃষ্ট হৈ গুৰুতৰভাৱে আহত হৈছিল। ঠিকাদাৰী প্ৰতিষ্ঠান আৰু বিভাগীয় কৰ্তৃপক্ষই শ্ৰমিকৰ সুৰক্ষাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত পুনৰ চানমাৰিত নিৰ্মীয়মান উৰণ সেতুত কৰ্মৰত এজন শ্ৰমিক বিদ্যুৎস্পৃষ্ট হৈ গুৰুতৰভাৱে আহত হয়। শনিবাৰে পুৱা নিৰ্মাণকাৰ্য চলাই থকাৰ সময়তে বিদ্যুৎ পৰিবাহী তাঁৰত লাগি ছাইফুল নামৰ শ্ৰমিকজনৰ শৰীৰৰ এটা অংশ জ্বলি যায়। এই ঘটনা সংঘটিত হোৱাৰ সময়ত পথচাৰী আৰু শ্ৰমিকসকলে ছাইফুলৰ জ্বলি যোৱা শৰীৰ অসহায়ভাৱে চাই থাকিবলগীয়া হয়। অৱশেষত চানমাৰি আৰক্ষীৰ তৎপৰতাত বিদ্যুৎ কৰ্তন কৰাত শ্ৰমিকজন তললৈ সৰি পৰে। গুৰুতৰভাৱে আহত শ্ৰমিকজনক আৰক্ষীয়ে জিএমচিএইচত ভৰ্তি কৰে। ( দুই পৃষ্ঠাত চাওক)

## ভিডিঅ' কনফাৰেঞ্চযোগে জিলা আয়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনৰ সভাকক্ষৰ পৰা ভিডিঅ' কনফাৰেঞ্চযোগে জিলা আয়ুক্তসকলৰ সৈতে এক বৈঠকত মিলিত হয়। এই বৈঠকত মিছন বসুন্ধৰা ৩.০, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান আৰু অৰুণোদয় ৩.০ৰ ফলপ্ৰসু ৰূপায়ণৰ দিশত বৰ্তমানলৈকে হোৱা অগ্ৰগতিকে ধৰি বিভিন্ন দিশ মুখ্যমন্ত্ৰী ড° শৰ্মাই বিতংভাৱে পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বৈঠকত মিছন বসুন্ধৰা ৩.০ৰ বাবে বৰ্তমানলৈকে লাভ কৰা আবেদন, জিঅ' টেগিং আদিকে ধৰি বিভিন্ন দিশত হোৱা অগ্ৰগতিৰ খতিয়ান জিলা আয়ুক্তসমূহৰ পৰা লৈ নিৰ্ধাৰিত সময়সূচী অনুসৰি এই আঁচনিখন যাতে ৰূপায়ণ হয় সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। আনহাতে, বৈঠকত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ১.০ৰ অধীনত স্বাৱলম্বী হোৱাৰ দিশত আগবাঢ়ি অহা যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদান আদিকে ধৰি বিভিন্ন বিষয়ত হোৱা অগ্ৰগতিৰো বুজ লয়। তদুপৰি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ বাবে জিলাসমূহে লাভ কৰা আবেদনৰ (দহ পৃষ্ঠাত চাওক)

# ৰাহুল গান্ধীলৈ বিশেষ

অস্বীকাৰ কৰা নাই। খবৰ অনুসৰি দুসপ্তাহ তেওঁ তাত আছিল আৰু বিশ্বাসযোগ্য নথি-পত্ৰৰ পৰা এয়া স্পষ্ট হৈছে যে তেওঁৰ পত্নীয়ে ভাৰতত কাম কৰি থকাৰ সময়ত পাকিস্তানস্থিত এনজিঅ’ এটাৰ পৰা দৰমহাৰ নামত ধন লাভ কৰিছিল। বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক আহ্বান জনাইছোঁ যে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ স্বাৰ্থত দলীয় ৰাজনীতিৰ উৰ্দ্ধত গৈ এই ব্যক্তিগৰাকীক এনে স্পৰ্শকাতৰ আৰু কৌশলপূৰ্ণ এছাইনমেণ্টত অন্তৰ্ভুক্ত নকৰিব। উল্লেখ্য যে সন্ত্ৰাসবাদীক কৰি অহা পৃষ্ঠপোষকতা আৰু ভাৰতত সেই সন্ত্ৰাসবাদীয়ে চলাই অহা সন্ত্ৰাসবাদ বন্ধ কৰাৰ বাবে পাকিস্তানক হেঁচা দিবলৈ ভাৰতে কেইবাখনো বিদেশী ৰাষ্ট্ৰক অনুৰোধ জনাব। পাকিস্তানৰ ওপৰত যাতে কূটনৈতিক চাপ সৃষ্টি হয়, তাৰ বাবে সৰ্বদলীয় প্ৰতিনিধি বিদেশী ৰাষ্ট্ৰলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছিল কেন্দ্ৰীয় চৰকাৰে। সেই অনুসৰিয়ে লোকসভাৰ বিৰোধী দলৰ দলপতি আৰু কংগ্ৰেছ সভাপতিক সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৰে এই প্ৰতিনিধি দলটোত কংগ্ৰেছৰ সাংসদ প্ৰেৰণৰ বাবে তালিকা দিবলৈ অনুৰোধ জনাইছিল। সেইমৰ্মে কংগ্ৰেছ দলে আনন্দ শৰ্মা, গৌৰৱ গগৈ, ছৈয়দ নাছিৰ হুছেইন আৰু ৰাজা ব্ৰাৰ নাম অৰ্পণ কৰিছিল কেন্দ্ৰীয় চৰকাৰৰ ওচৰত। এই তালিকাত গৌৰৱ গগৈৰ নাম থকা দেখিয়েই বিষয়টোত তীব্ৰ আপত্তি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ইফালে বিষয়টো সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে পাকিস্তানৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ বিশ্বৰ জনতাৰ সন্মুখলৈ লৈ যোৱাৰ বাবে সৰ্বদলীয় প্ৰতিনিধিৰ দল এটা বিভিন্ন ৰাষ্ট্ৰলৈ যাব। যিহেতু এই প্ৰতিনিধি দলত কংগ্ৰেছৰ পৰাও সাংসদ যাব, সেয়েহে ৰাহুল গান্ধীয়ে দলটোত যাবলগীয়া কংগ্ৰেছ সাংসদসকলৰ মাজত অসমৰ এজন সাংসদৰ নাম অন্তৰ্ভুক্ত কৰিছে। মই ৰাহুল গান্ধীলৈ এটা টুইট দি উল্লেখ কৰিছোঁ যে যিজন সাংসদে পাকিস্তানত দুসপ্তাহ থাকি আহিছে, যিজন সাংসদে নিজৰ সন্তানৰ নাগৰিকত্ব ভাৰতৰ পৰা বিদেশী ৰাষ্ট্ৰৰ নামত লৈ গৈছে, যিজন সাংসদৰ পত্নীয়ে পাকিস্তানৰ পৰা প্ৰতিমাহত দুই লাখ টকাকৈ দৰমহা লয়, তেওঁ কেনেকৈ পাকিস্তানৰ বিপক্ষে ক’ব? সৰ্বদলীয় বৈঠকত যিসমূহ কথা-বাৰ্তা চলিব, আলোচনা হ’ব, সেই খবৰসমূহে তেওঁ শত্ৰু ৰাষ্ট্ৰক দিব। সেই কাৰণে মই ৰাহুল গান্ধীক অনুৰোধ কৰিছোঁ তেওঁ যাতে এনেকুৱা মানুহৰ নামত তালিকাত অন্তৰ্ভুক্ত নকৰে, যিটো ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি হ’ব পাৰে। মই ভাবোঁ, ৰাহুল গান্ধীয়ে নিশ্চয় দেশৰ নিৰাপত্তাৰ স্বাৰ্থত এনেধৰণৰ নাম তালিকাত অন্তৰ্ভুক্ত নকৰিব।

# মৰণফান্দত পৰিণত

সম্প্ৰতি সংকটজনক অৱস্থাত ছাইফুল চিকিৎসাধীন আছে। ইফালে শুক্ৰবাৰে ৰুক্মিণীগাঁৱত নিৰ্মীয়মাণ উৰণ সেতুৰ ৰড খহি এগৰাকী মহিলা কথমপি ৰক্ষা পৰে। সুৰক্ষামূলক ব্যৱস্থা নকৰাকৈ দিনে-নিশাই মহানগৰীত উৰণ সেতু নিৰ্মাণৰ কাম চলাই শ্ৰমিক আৰু পথচাৰী জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে ঠিকাদাৰী প্ৰতিষ্ঠানে। মহানগৰীত নিৰ্মীয়মাণ উৰণ সেতুত সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰি নিৰ্মাণ কাৰ্য চলাবলৈ মহানগৰবাসীয়ে বিভাগীয় কৰ্তৃপক্ষ আৰু ঠিকাদাৰী প্ৰতিষ্ঠানক আহ্বান জনাইছে।

# কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকা আৰু নাই



ৰঙিলী বাৰ্ত্তাসেৱা- জনপ্ৰিয় কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাৰ দেহাৱসান। শুক্ৰবাৰ দিনৰ ২.১৫ বজাত মহানগৰীৰ নেমকেয়াৰ হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে কণ্ঠশিল্পীগৰাকীয়ে । মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৫ বছৰ। উল্লেখ্য যে বিগত কেইবামাহো ধৰি মুম্বাই, বাংগালুৰুত কৰ্কট ৰোগৰ চিকিৎসা কৰা শিল্পীগৰাকীৰ স্বাস্থ্য ৩ দিন পূৰ্বে অধিক অৱনতি হোৱাত পৰিয়ালে নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰাইছিল। বৃহস্পতিবাৰে তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি হোৱাত চিকিৎসকে আইচিইউলৈ শিল্পীগৰাকীক স্থানান্তৰ কৰে। তাৰ পাছতে শুক্ৰবাৰে দিনৰ প্ৰায় ২.১৫ বজাত তেওঁৰ মৃত্যু হয়। ১৯৮০ চনত অভয়াপুৰীত জন্মগ্ৰহণ কৰা গায়ত্ৰী হাজৰিকাৰ পিতৃ ফুনু হাজৰিকা আৰু মাতৃ অৰুণা হাজৰিকা। চাৰিজনীয়া পৰিয়ালটোৰ কনিষ্ঠ গায়ত্ৰী হাজৰিকাই শৈশৱৰ পৰাই সংগীতৰ প্ৰতি আকৰ্ষিত হৈছিল। পৰৱৰ্তী সময়ত মহানগৰীৰ ঐতিহ্যমণ্ডিত টি চি স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সন্দিকৈ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা গায়ত্ৰী হাজৰিকাই পৰম্পৰাগত শিক্ষাৰ সলনি সংগীতক নিজৰ সাধনা-অনুপ্ৰেৰণা হিচাপে লৈছিল। পৰৱৰ্তী সময়ত কলকাতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা শাস্ত্ৰীয় সংগীতত স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে লক্ষ্ণৌৰ ভাটখাণ্ডে সংগীত বিদ্যাপীঠৰ পৰা এম মিউজ ডিগ্ৰী লাভ কৰিছিল। ১১ বছৰ বয়সতে মঞ্চত প্ৰথম গীত পৰিৱেশন কৰা শিল্পীগৰাকীয়ে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ ‘এ’ গ্ৰেড শিল্পী ৰূপে স্বীকৃতি লাভ কৰিছিল। ‘সৰা পাতে পাতে ফাগুন নামে’ শীৰ্ষক গীতটোৰে অসমৰ শ্ৰোতাৰ হৃদয়ত নিগাজি স্থান দখল কৰিবলৈ সক্ষম হোৱা গায়ত্ৰী হাজৰিকাই ‘আবেলিৰ হেঙুলী আকাশ’, ‘জোনাক নাছিল বনত’, ‘তোমালৈ মোৰ মৰম’, ‘ৰাতি ৰাতি মোৰ সোণ’কে ধৰি কেইবাটাওসুন্দৰ গীতত কণ্ঠদান কৰিছে। সংগীতৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে বিভিন্ন সময়ত (দহ পৃষ্ঠাত চাওক)

# বিধায়ক হেমাঙ্গ ঠাকুৰীয়াৰ নেতৃত্বত পঞ্চায়ত নিৰ্বাচনৰ নৱ- নিৰ্বাচিত প্ৰাৰ্থী সকলৰ সৈতে চিনাকি পৰ্ব অনুষ্ঠান




ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ পঞ্চায়ত নিৰ্বাচনৰ ফলাফলে বৰ্তমান পদুম - ফুলীয়া হাঁহি বিৰিঙিছে, সমান্তৰালভাৱে পলাশবাৰী সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনত পদুম ফুলৰ চমকপ্ৰদ প্ৰদৰ্শনে শাসকীয় পক্ষক উৎসাহিত কৰিছে। ১৪ মে বুধবাৰে মিৰ্জাৰ অৰকিড পেলেচত দিনৰ ১১ বাতিপুৱা ২৯নং পলাশবাৰী সমষ্টিৰ অন্তৰ্গত নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলৰ সৈতে চিনাকি পৰ্ব তথা বিশেষ অভিনন্দন অনুষ্ঠানত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাঙ্গ ঠাকুৰীয়া। উক্ত কাৰ্যসূচীত পলাশবাৰী সমষ্টিৰ নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলৰ সৈতে বিধায়ক গৰাকীয়ে চিনাকি হোৱাৰ লগতে অভিনন্দন জনাই । বিধায়ক ঠাকুৰীয়াই আগন্তুক দিনত নৱ নিৰ্বাচিত জন প্ৰতিনিধি সকলক সততা, নিষ্ঠা আৰু দায়িত্ব সহকাৰে ৰাইজৰ সৰ্বাংগীন উন্নয়নৰ হকে সেৱা কৰিবলৈ আহ্বান জনাই। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি বিধায়ক হেমাঙ্গ ঠাকুৰীয়াই এখন প্ৰীতিভোজৰো আয়োজন কৰে । উল্লেখযোগ্য আজিৰ চিনাকি পৰ্ব অনুষ্ঠানত নৱ - নিৰ্বাচিত শাসক বিৰোধীৰ সমূহ প্ৰাৰ্থী উপস্থিতি পৰিলক্ষিত হয় লগতে শাসকীয় পক্ষই আয়োজিত কৰা অনুষ্ঠানত বিৰোধী পক্ষৰ প্ৰাৰ্থী সমূহৰ লগত শাসক পক্ষৰ মিতিৰালিৰ লগতে ভোজভাতৰ ৰাজনীতিয়ে পৰৱৰ্তীকালত কিহৰ ইংগিত দিয়ে সেয়া হব লক্ষণীয়।

# বোকাখাতত মন্ত্ৰী অতুল বৰাৰ গৃহত বিজেপি-অগপ মিত্ৰজোঁটৰ বিজয় উৎসৱ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা পঞ্চায়ত নিৰ্বাচনৰ ফলাফলত উৎফুল্লিত অগপ-বিজেপি মিত্ৰজোটৰ বোকাখাত সম-জিলাৰ ৪ জিলা পৰিষদ, ২০ আঞ্চলিক পৰিষদ আৰু প্ৰায় ১৮০ ৱাৰ্ড সদস্যৰ জয়ী প্ৰাৰ্থী, পৰাজিত সদস্য, দলীয় কৰ্মকৰ্তাক লৈ মন্ত্ৰী তথা অগপৰ সভাপতি অতুল বৰাই নিজ গৃহত আয়োজন কৰে এক বৃহৎ বিজয় উৎসৱ। সকলো বিজয়ী আৰু পৰাজিত প্ৰাৰ্থীৰ লগতে দুই দলৰ দলীয় নেতৃত্ব আৰু কৰ্মকৰ্তাক সম্বৰ্ধনা জনায়। কাজিৰঙা সংসদীয় সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থকা সভাত মন্ত্ৰী অতুল বৰাই নামত দুখন আসন স্থাপন কৰিবলৈও তথাকথিত আন বিৰোধী সকলে এইবাৰ পঞ্চায়ত নিৰ্বাচনত গ’ল প’ষ্টৰ কাষেই চাপিব নোৱাৰিলে। ১৪ মে’ত বোকাখাতত অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী অতুল বৰাই পঞ্চায়ত নিৰ্বাচন ২০২৫ ৰ সাফল্য সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সাংবাদিকৰ আগত এনেদৰে কয়। তেওঁ লগতে পঞ্চায়ত নিৰ্বাচন ২০২৫ ত ৰাজ্যখনৰ অন্যান্য ঠাইৰ লগতে বোকাখাতত মিত্ৰজোটৰ বিপুল জয়লাভৰ বাবে বোকাখাতৰ ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে এই সাফল্যৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়। মন্ত্ৰী বৰাই কয় যে মুখ্যমন্ত্ৰীৰ দুৰদৰ্শিতা আৰু বলিষ্ঠ নেতৃত্বৰ বাবেই ৰাজ্যখনৰ লগতে বোকাখাততো বহুত উন্নয়নৰ কাম হ’ল, যাৰ বাবে ৰাইজে এনেদৰে ভোট দিছে। এয়া মুখ্যমন্ত্ৰী গৰাকীৰ দক্ষতাৰ স্বীকৃতি বুলিও তেওঁ উল্লেখ কৰে। উল্লেখ্য যে বোকাখাত সমজিলাৰ পঞ্চায়ত নিৰ্বাচন ২০২৫ ত ৪ জিলা পৰিষদ, ২০ আঞ্চলিক পঞ্চায়ত আৰু ১৮০ টা ৱাৰ্ডৰ আসনৰ প্ৰতিদ্বন্দ্বিতাত অগপ-বিজেপিৰ মিত্ৰজোটৰ বিপুল জয়লাভৰ পাছত বিজয়ী প্ৰাৰ্থী সকলক মন্ত্ৰী গৰাকীৰ তৰফৰ পৰা অভিনন্দন জনোৱা হয়। উপস্থিত সাংবাদিকৰে সতে হোৱা বাৰ্তালাপত মতামত ব্যক্ত কৰি বৰাই কয় যে এইবাৰৰ পঞ্চায়ত নিৰ্বাচনৰ পাছত এইটো স্পষ্ট হৈ পৰিল যে ২০২৬ৰ নিৰ্বাচনত কি হ’ব। তেওঁ আৰু কয় যে ৰাইজে নৱনিৰ্বাচিত সকলক গধুৰ দায়িত্ব দিছে, গতিকে এই দায়িত্ব সততাৰে লৈ ৰাইজৰ সেৱাত ব্ৰতী হ’ব লাগিব। তেওঁলোকৰ কামকাজৰ ওপৰত দুয়োটা দলৰ ভাবমূৰ্তিৰ লগতে অঞ্চলসমূহৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। লগতে কয় যে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ চাৰিবছৰ কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ ডাঙৰ প্ৰাপ্তি হ’ল ৰাজ্যখনলৈ ঘূৰি অহা শান্তি আৰু সুস্থিৰতাৰে ৰাজ্যখন সমৃদ্ধিৰ দিশত আগবাঢ়িব পৰা পৰিস্থিতি সম্ভৱ হ’ব, ৰাইজে আশা কৰা বহু পৰিকল্পনা বাস্তৱায়িত হ’ব, যিবোৰ কংগ্ৰেছ বা বিৰোধী দলে সপোনতো ভাবিব নোৱাৰে। (দহ পৃষ্ঠাত চাওক)

# কাশ্মীৰত নিৰাপত্তা বাহিনীৰ হাতত জইছৰ তিনি দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- জম্মু-কাশ্মীৰত সন্ত্ৰাসবিৰোধী অভিযান তীব্ৰতৰ কৰি তুলিছে নিৰাপত্তা বাহিনীয়ে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত জম্মু-কাশ্মীৰ আৰক্ষীয়ে চিনাক্ত কৰি তথ্যৰ সন্ধান লাভ কৰিলে পুৰস্কাৰ ঘোষণা কৰা ১৪ সন্ত্ৰাসবাদীৰ ভিতৰত বিগত ৪৮ ঘণ্টাতে নিৰাপত্তা বাহিনীয়ে ৬ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰিবলৈ সক্ষম হৈছে। পেহেলগামৰ নৰসংহাৰৰ পাছত সন্ত্ৰাসবিৰোধী অভিযানত নিৰাপত্তা বাহিনীয়ে বৃহৎ সফলতা লাভ কৰি আছে। দক্ষিণ কাশ্মীৰৰ পুলৱামা জিলাৰ অৱন্তিপুৰাৰ ট্ৰলৰ নাডেৰগাঁৱত আত্মগোপন কৰি থকা ৩ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিৰাপত্তা বাহিনীয়ে অভিযান আৰম্ভ কৰে। আত্মগোপন কৰি থকা অঞ্চলটো ঘেৰাও কৰি নিৰাপত্তা বাহিনীয়ে অভিযান চলাই ৩ দুৰ্ধৰ্ষ জইছ-ই-মহম্মদৰ সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰে। নিৰাপত্তা বাহিনীয়ে ড্ৰোনৰ জৰিয়তে অত্যাধুনিক অস্ত্ৰ লৈ থকা ৩ সন্ত্ৰাসবাদীৰ অৱস্থিতি ধৰা পেলোৱাৰ পাছত অতি কৌশলেৰে অভিযান আৰম্ভ কৰে। নিৰাপত্তা বাহিনীৰ অভিযানৰ উমান পাই সন্ত্ৰাসবাদী গোটটোৱে অভিযানকাৰী দলটোক লক্ষ্য কৰি গুলীচালনা কৰে। নিৰাপত্তা বাহিনীয়েও সন্ত্ৰাসবাদীৰ গোটটোক তীব্ৰ প্ৰত্যুত্তৰ দিয়াত তুমুল সংঘৰ্ষ হয়। এই সংঘৰ্ষত নিহত হয় ৩ জইছ-ই-মহম্মদৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী। (নপৃষ্ঠাত চাওক)

# কাশ্মীৰৰ সেনাৰ কেন্টনমেন্টত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তান আৰু পাকিস্তানী সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অপাৰেচন সিন্দুৰৰ সফলতাৰ পাছত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ সমীপৱৰ্তী বাদামীবাগ কেন্টনমেন্টত সেনা জোৱানৰ সৈতে বাৰ্তালাপ কৰে। পাকিস্তানৰ বিৰুদ্ধে অপাৰেচন সিন্দুৰৰ বিজয়ক লৈ সেনাৰ বীৰত্ব আৰু সাহসক প্ৰশংসা কৰি সেনাক লৈ দেশবাসী গৌৰৱান্বিত বুলি কয় প্ৰতিৰক্ষা মন্ত্ৰী সিঙে। পাকিস্তান আৰু পাকিস্তানী সন্ত্ৰাসবাদীক কঠোৰ সকীয়নি দি প্ৰতিৰক্ষা মন্ত্ৰী সিঙে কয়- সন্ত্ৰাসবাদীয়ে ধৰ্মৰ পৰিচয় সুধি হত্যা কৰিছে। আমি কৰ্ম চাই হত্যা কৰিছোঁ। অপাৰেচন সিন্দুৰৰ সফলতাত সেনাৰ ভূমিকাক প্ৰশংসা আৰু কৃতজ্ঞতা জনাবলৈ বৃহস্পতিবাৰে পুৱা প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰতীয় সেনাৰ বাদামীবাগ কেন্টনমেন্টত উপস্থিত হয়। সেনাৰ সৈতে বাৰ্তালাপত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব আৰু নিৰ্দেশনাত অপাৰেচন সিন্দুৰৰ সময়ত সেনাসকলৰ সাহস আৰু বীৰত্বক ভূয়সী (নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত অনুষ্ঠিত প্ৰথমখন সম-জিলা পৰ্যায়ৰ ভূমি উপদেষ্টা সমিতিৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈ, ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু নাহৰকটীয়া সম-জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱাৰ উপস্থিতিত নাহৰকটীয়াস্থিত লোক নিৰ্মাণ পথ বিভাগৰ পৰিদৰ্শন ভৱনৰ সভাগৃহত প্ৰথমখন “সম-জিলা পৰ্যায়ৰ ভূমি উপদেষ্টা সমিতি”ৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজহুৱা প্ৰতিষ্ঠান তথা আন্তঃগাঁথনিৰ বাবে চৰকাৰী ভূমি আবণ্টনৰ বাবে লাভ কৰা প্ৰতিবেদনসমূহ উপস্থাপন কৰা হয় আৰু সমিতিয়ে এই প্ৰতিবেদনসমূহ পুংখানুপুংখভাবে নিৰীক্ষণ তথা বিবেচনা কৰি নীতিগতভাবে অনুমোদন জনায়। বৈঠকত নাহৰকটীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া শৰৎ গগৈ, চক্ৰ বিষয়া সংলগ্ন মেৰী ৰালচুন, সহকাৰী আয়ুক্ত সেউজ সজীৱ নাথ প্ৰমুখ্যে অন্যান্য বিষয়াবৰ্গ উপস্থিত থাকে।

# মণিপুৰত সেনা আৰু উগ্ৰপন্থীৰ মাজৰ সংঘৰ্ষত ১০ উগ্ৰপন্থী নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত-ম্যানমাৰ সীমান্তত মণিপুৰৰ চান্দেল জিলাত ভাৰতীয় সেনা আৰু উগ্ৰপন্থীৰ মাজত হোৱা তুমুল সংঘৰ্ষত অতি কমেও ১০জন উগ্ৰপন্থী নিহত হৈছে। সেনাই প্ৰকাশ কৰা মতে, চান্দেল জিলাত গোপন সূত্ৰৰ পম খেদি আছাম ৰাইফলছে উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযান চলায়। জিলাখনৰ নিউ চামতল গাঁৱত সশস্ত্ৰ উগ্ৰপন্থীয়ে বিচৰণ কৰি থকাৰ তথ্য লাভ কৰি আছাম ৰাইফলছৰ দল এটাই অভিযান চলাওঁতে দলটোক লক্ষ্য কৰি উগ্ৰপন্থীয়ে গুলীচালনা কৰে। প্ৰত্যুত্তৰত অভিযানকাৰী সেনাৰ দলটোৱেও গুলীচালনা কৰাত সেনাৰ গুলীত অতি কমেও ১০জন উগ্ৰপন্থী নিহত হয়। সেনাৰ ইষ্টাৰ্ন কমাণ্ডে (নপৃষ্ঠাত চাওক)

# নিউ গন্ধমৌ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰী শিক্ষকদ্বয়ক বিদায়ী সম্বৰ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- হাজো শিক্ষা খণ্ডৰ অন্তৰ্গত বংশৰ মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত নিউ গন্ধমৌ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক কাদিৰ আলী, সহকাৰী শিক্ষক তাজ উদ্দিন আহমেদক বিদ্যালয়ৰ তৰফৰ পৰা ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তথা সমাজকৰ্মী ইন্দ্ৰ কান্ত বৈশ্যই। বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেন বৈশ্য ই আতৰধৰা সভাত শিক্ষকদ্বয়ক গামোচা, শৰাই, মানপত্ৰ উপহাৰেৰে সম্বৰ্ধনা জনায়। সভাত আমন্ত্ৰিত অতিথি হিচাপে গুৱাহাটী মহকুমা মধ্য ইংৰাজী সন্থাৰ সভাপতি তথা শিক্ষক গোলোক চন্দ্ৰ দাসে কয় যে - বহু বছৰ ধৰি ছাত্ৰ -ছাত্ৰী ৰ মাজত অতিবাহিত কৰি পৰিয়ালৰ দৰে থাকি বিদ্যালয়খনৰ পৰা আতঁৰি যাব লগা হোৱাটো কিমান বেদনাদায়ক সেয়া ভুক্তভোগীহে জানে। শিক্ষক বৃন্দ ই মাজে সময়ে বিদ্যালয়লৈ আহি ছাত্ৰ -ছাত্ৰী ৰ মাজত আহি সময় অতিবাহিত কৰিবলৈ আহ্বান জনায়। সম্বৰ্ধনা সভাত চি আৰ চি চি গীতাঞ্জলি দাস, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হকিম আলী, সহকাৰী শিক্ষয়িত্ৰী বৰ্ণালী দাস উপস্থিত থাকে।

# কলিয়াভোমোৰা দলঙৰ ৰেলিং ভাঙি ব্ৰহ্মপুত্ৰত পৰিল ট্ৰাক



ৰঙিলী বাৰ্ত্তাসেৱা- তেজপুৰৰ কলিয়াভোমোৰা দলঙত বৃহস্পতিবাৰে দিনৰ ভাগত সংঘটিত হয় এক শোকাবহ দুৰ্ঘটনা। তেজপুৰৰ দিশৰ পৰা দক্ষিণ পাৰৰ দিশে এখন মালবাহী ট্ৰেইলাৰ বাহন পুৰণি কলিয়াভোমোৰা দলঙেৰে গৈ থকা অৱস্থাত বিয়লি ২.৩০ মান বজাত দলঙৰ সোঁফালৰ ৰেলিং ভাঙি ব্ৰহ্মপুত্ৰত পৰি যায়। এই খবৰ লাভ কৰাৰ পিছতেই তেজপুৰৰ পৰা উচ্চপদস্থ আৰক্ষী বিষয়া আৰু যান-বাহন আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয়। ইয়াৰ পিছত নদী আৰক্ষী আৰু এছডি (নপৃষ্ঠাত চাওক)

# আইচিচি টেষ্ট ৰেংকিঙৰ শীৰ্ষস্থানত ৰবীন্দ্ৰ জাদেজা



ৰঙিলী বাৰ্ত্তাসেৱা- টীম ইণ্ডিয়াৰ তাৰকা অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজাৰ বিশ্ব অভিলেখ। বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা আইচিচিয়ে শেহতীয়াকৈ প্ৰকাশ কৰা ৰেংকিঙৰ অলৰাউণ্ড শাখাত ৰবীন্দ্ৰ জাদেজাই শীৰ্ষস্থানটো নিজৰ দখলতে ৰাখিবলৈ সক্ষম হৈছে। ইয়াৰ লগে লগে সৰ্বাধিক দিন ধৰি টেষ্ট ৰেংকিঙৰ অলৰাউণ্ড শাখাৰ শীৰ্ষস্থান দখল কৰি ইতিহাস ৰচে ৰবীন্দ্ৰ জাদেজাই। টীম ইণ্ডিয়াৰ তাৰকা অলৰাউণ্ডাৰগৰাকীয়ে ক্ৰমাগত ১১৫১দিন ধৰি অলৰাউণ্ড শাখাৰ শীৰ্ষস্থানটো নিজৰ দখলতে ৰাখিবলৈ সক্ষম হৈছে। দক্ষিণ আফ্ৰিকাৰ জেক কালিচ, ভাৰতৰ কপিল দেৱ আৰু পাকিস্তানৰ ইমৰান খানৰ দৰে কিংবদন্তিক অতিক্ৰম কৰা ( নপৃষ্ঠাত চাওক)

# তুৰস্ক-আজাৰবাইজান ভ্ৰমণৰ বুকিং বাতিল ভাৰতীয় পৰ্যটকৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত ভাৰতীয় সেনাই সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ‘অপাৰেচন সিন্দুৰ’ চলোৱা সময়ত বিশ্বৰ গৰিষ্ঠসংখ্যক দেশে ভাৰতক সমৰ্থন কৰিছিল। কিন্তু তুৰস্ক আৰু আজাৰবাইজানে সমৰ্থন জনাইছিল পাকিস্তানক। ইয়াৰ ফলত এইবাৰ বহু ভাৰতীয় নাগৰিকে তুৰস্ক আৰু আজাৰবাইজান ভ্ৰমণ বাতিল কৰিছে । ভাৰতৰ কেইবাটাও নামী ভ্ৰমণ সংস্থাই তুৰস্ক আৰু আজাৰবাইজানৰ সকলো বুকিং ইতিমধ্যে বাতিল কৰিছে। এইবাৰ ভাৰতীয় নাগৰিকসকলেও দুয়োখন দেশক প্ৰত্যক্ষভাৱে বৰ্জন কৰাৰ সিদ্ধান্ত ল’লে। এই সম্পৰ্কত ভ্ৰমণ সংস্থা ‘ইজমাইট্ৰিপ’ আৰু ‘ইক্সিগো’ৱে জনাইছে যে বহু ভাৰতীয় পৰ্যটকৰ বুকিং বাতিল হৈছে। ভাৰতীয় পৰ্যটকসকলে তুৰস্ক আৰু আজাৰবাইজান চৰকাৰৰ ( নপৃষ্ঠাত চাওক)

# পাকিস্তানে উভতাই দিলে ভাৰতৰ বি এছ এফ জোৱানক



ৰঙিলী বাৰ্ত্তাসেৱা- যুদ্ধবিৰতিৰ পিছত প্ৰথমবাৰলৈ ‘বন্দী বিনিময়’ কৰিলে ভাৰত-পাকিস্তানে। পঞ্জাব সীমান্তৰ পৰা আটক কৰা বিএছএফৰ জোৱান পূৰ্নম কুমাৰ শ্বাওক মুক্তি দিয়ে পাকিস্তানে। ইয়াৰ পিছতে ৰাজস্থান সীমান্তৰ পৰা গ্ৰেপ্তাৰ কৰা পাক ৰেঞ্জাৰক মুক্তি দিয়ে ভাৰতে। যোৱা ২৩ এপ্ৰিলত পঞ্জাবৰ পাঠানকোটত কৰ্মৰত অৱস্থাত ভুলবশতঃ পাক ভূখণ্ডত প্ৰৱেশ কৰিছিল বিএছএফৰ জোৱান পূৰ্নমে। তেতিয়াই পাক ৰেঞ্জাৰে পূৰ্নমক আটক কৰে। সীমান্তত এনে ঘটনা ঘটিলে দুয়োখন দেশৰ সীমান্তৰক্ষীসকলৰ ফ্লেগ মিটিঙৰ পিছত সংশ্লিষ্ট জোৱানক মুক্তি দিয়াটো নিয়ম। কিন্তু পূৰ্নমক তেতিয়াই মুক্তি দিয়া নাছিল পাকিস্তানে। ঘটনাক্ৰমে যোৱা ৩ মে’ত ৰাজস্থান সীমান্ত উলংঘা কৰি ভাৰত ভূখণ্ডত প্ৰৱেশ কৰে পাক ৰেঞ্জাৰৰ এজন জোৱান। যোৱা ১০ মে’ত ভাৰত-পাকিস্তানৰ মাজত ( নপৃষ্ঠাত চাওক)

# আমিনুল ইছলামক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত পুনৰ গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও কেন্দ্ৰীয় কাৰাগাৰত কাৰাবন্দী হৈ থকা নগাঁও জিলাৰ ধিং বিধানসভা সমষ্টিৰ বিধায়ক আমিনুল ইছলামক নগাঁও আৰক্ষীয়ে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ (এনএছএ) অধীনত পুনৰ গ্ৰেপ্তাৰ কৰে। কাশ্মীৰৰ পেহেলগামৰ হত্যাকাণ্ড সন্দৰ্ভত বিতৰ্কিত তথা ৰাষ্ট্ৰবিৰোধী মন্তব্য কৰি ইতিপূৰ্বে গ্ৰেপ্তাৰ হৈছিল বিধায়ক আমিনুল ইছলাম। কাৰাগাৰত থকা বিধায়ক আমিনুল ইছলামক আদালতে জামিন দিছিল যদিও পুনৰ নগাঁও আৰক্ষীয়ে তেওঁক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে পেহেলগামৰ ঘটনা সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰাৰ বাবে ২৪ এপ্ৰিলত নগাঁও আৰক্ষীয়ে বিধায়ক আমিনুল ইছলামক তেওঁৰ নিজ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। পেহেলগামৰ ঘটনাৰ পাছত সন্ত্ৰাসবাদী কাম-কাজৰ বিৰুদ্ধে টু শব্দ এটাও উচ্চাৰণ নকৰি আওপকীয়াকৈ সন্ত্ৰাসবাদী শক্তিকহে উৎসাহিত কৰি সমগ্ৰ ( নপৃষ্ঠাত চাওক)

# অৰুণাচলৰ বিভিন্ন স্থানৰ নতুনকৈ নামকৰণ চীনৰ




ৰঙিলী বাৰ্ত্তাসেৱা- চীনেই পুনৰ ভাৰতবিৰোধী ষড়যন্ত্ৰৰ পৰিচয় দাঙি ধৰি আকৌ এবাৰ অৰুণাচলৰ বিভিন্ন স্থানৰ নতুনকৈ নামকৰণ কৰিছে। ভাৰতৰ ২৭টা স্থানৰ নতুন নামকৰণ কৰি বিবৃতি প্ৰকাশ কৰিছে চীনৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰণালয়ে। দেশখনৰ এই পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰি ভাৰতেও এক বিবৃতি প্ৰকাশ কৰিছে। বিদেশ মন্ত্ৰণালয়ৰ তৰফৰ পৰা স্পষ্ট কৰি দিয়া হৈছে যে অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ আছিল, আছে আৰু ভৱিষ্যতেও হৈ থাকিব। যোৱা ১২ মে’ত চীনৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰণালয়ৰ তৰফৰ পৰা জনোৱা হয় যে ( নপৃষ্ঠাত চাওক)

# দেশৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ বি আৰ গাভাইৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এক অনুষ্ঠানত ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাভায়ে ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে । ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ন্যায়াধীশ গাভাইক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰায়। তেওঁ দেশৰ শীৰ্ষ ন্যায়ালয়ৰ মুখ্য পদত ন্যায়াধীশ সঞ্জীৱ খান্নাৰ ( নপৃষ্ঠাত চাওক)

# পঞ্চায়ত নিৰ্বাচনৰ চূড়ান্ত ফলাফল ঘোষণা

ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ২ আৰু ৭ মে’ত দুটা পৰ্যায়ত সম্পন্ন হোৱা পঞ্চায়ত নিৰ্বাচনৰ ৰব মে’ত ভোটগণনা অনুষ্ঠিত হৈছিল। ৰাজ্যিক নিৰ্বাচন আয়োগে সকলো ভোটগণনা সম্পূৰ্ণ কৰি আনুষ্ঠানিকভাৱে পঞ্চায়তৰ ফলাফল ঘোষণা কৰিলে। সেই অনুসৰি জিলা পৰিষদত বিজেপিয়ে সৰ্বাধিক ২৭৪খন আসন দখল কৰাৰ বিপৰীতে বিৰোধী কংগ্ৰেছে ৭২খন, অগপই ২৭খন এআইইউডিএফে ৮খন, ৰাইজৰ দলে ৩খন আৰু নিৰ্দলীয়ই ১৩খন আসন লাভ কৰিছে। আঞ্চলিক পঞ্চায়তত্তো বিজেপিয়ে সৰ্বাধিক ১, ২৬১খন আসন দখল কৰিবলৈ সক্ষম হৈছে। বিজেপিৰ মিত্ৰদল অগপই ১৮৪খন, কংগ্ৰেছে ৪৮১খন, এআইইউডিএফে ৬৪খন, ৰাইজৰ দলে ৭২খন, তৃণমূল কংগ্ৰেছে ৪খন, অসম জাতীয় পৰিষদে ৩খন, আম আদমী পাৰ্টীয়ে ১খন আৰু নিৰ্দলীয়ই ১৭৩খন আসন লাভ কৰিছে। আনহাতে গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে হোৱা নিৰ্বাচনত ২১, ৯২০ গৰাকী সদস্য নিৰ্বাচিত হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগে আনুষ্ঠানিকভাৱে এই ফলাফল ঘোষণাৰ পাছতে যোৱা ২ এপ্ৰিলৰ পৰা বলৱৎ হৈ থকা নিৰ্বাচনী আচৰণবিধিৰ অন্ত পৰিল। উল্লেখ্য যে এইবাৰ পঞ্চায়ত নিৰ্বাচনে শাসকীয় বিজেপি আৰু মিত্ৰদল অগপৰ অভাৱনীয় উত্থানৰ বিপৰীতে বিধানসভা নিৰ্বাচনৰ প্ৰাক্ষণত পঞ্চায়ত নিৰ্বাচনত বিধ্বস্ত হ’ল বিৰোধী। পঞ্চায়ত নিৰ্বাচনৰ ফলাফলৰ পাছতে বিধানসভা নিৰ্বাচনৰ বাবে শাসকীয় দলটোৱে ইতিমধ্যে আৰম্ভ কৰিছে বিশেষ প্ৰস্তুতি। এই সময়তে ( নপৃষ্ঠাত চাওক)

# সময়



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

ন বাজিল খৰধৰকৈ স্কুলত যাব সাজু হৈছে। দেউতাকৰ ৰিক্সাখনত উঠিল। বোপা আজি তই খোজ কাঢ়িয়ে যা। মোৰ এঠাইত যাব লগা আছে কাইলৈ নিম দে।

ঠিক আছে দেউতা, স্কুল ছুটী হ’লে আহোঁতে উঠাই আনিবা। বহি শেষ হৈছে অসমীয়া, ইংৰাজি কাৰণে দুটা বহি একেলগে পাৰিলে কিনিব লাগিব নহ’লে মানসী বাইদেউ বেয়া পাব হোমৱৰ্ক দিছে।

তেওঁ হয়ভৰ দিয়ে। মাক নথকা সন্তানক ডাঙৰ কৰিবলৈ কিমান কষ্ট কৰিবলগীয়া হয় তেওঁহে জানে। পিতৃ-মাতৃ দুয়োৰে দায়িত্ব ভাত ৰন্ধা আদি কৰি এশ এবুৰী কাম। ৰিক্সাখনে একমাত্ৰ সাৰথি। সন্ধিয়া তেওঁ ৰিক্সা নচলাই ল’ৰাৰ পঢ়াৰ কাৰণে ঘৰতে থাকে তাৰ খোৱা বোৱাৰ যত্ন লয়।

সময় গৈ থাকিল সিও স্কুল/কলেজ এঢাপ এঢাপকৈ অতিক্ৰম কৰিলে। আজি বিশিষ্ট অতিথি আসনৰ পৰা মাইক্ৰফোনটো হাতত লৈ সি নিজৰ শৈশৱ জীৱনৰ স্মৰণীয় দিনবোৰৰ কথা কৈ গ’ল। দেউতাকে জিৰণি লোৱা সময়ত পুৰণি ৰিক্সাখনত বহিয়েই সি পঢ়িছিল, কেতিয়াবা বিদ্যালয়ৰ পৰা ঘৰলৈ দেউতাকৰ সৈতে আহে। তেনেকৈয়ে সি পঢ়িশুনি প্ৰশাসনিক বিষয় হিচাপে নিয়োজিত হ’ল। গতিকে কোনো কামত একাগ্ৰতাৰে কৰিলে এদিন নিশ্চয় সফল হ’ব পাৰি মাত্ৰ লক্ষ্য স্থান স্থিৰ কৰিব লাগিব।

# তহঁতৰ জীৱনবোৰ এনেকৈয়ে যাৱ

**অন্তিম খণ্ড**



কেতিয়াবা আপোনাৰ হয়টো মনত প্ৰশ্ন উত্থাপন হয় আমি জীয়াই আছোঁ বাবে জীৱন নে জীৱনৰ বাবে জীয়াই আছোঁ? কথাটো এনেধৰণৰ হব পাৰে মুৰ্গী আগতে আহিছেনে কণীটো আগত আহিছে। প্ৰশ্নবোৰ কেতিয়াবা আমনিদায়ক আৰু খেলিমেলি পূৰ্ণ হৈ পৰে। ঠিক তেনেদৰে মনটোত খেলিমেলি সৃষ্টি হয় যেতিয়া আমাৰ মনে এটা কথা কয় কিন্তু বাস্তৱত তাৰ ওলোটা প্ৰতিফলিত হয়। যাক আমি মন আৰু বিবেকৰ অস্থিৰতাৰ স্থিতি হিচাপে অভিহিত কৰিব পাৰোঁ। মন-বিবেকৰ অস্থিৰতা ব্যক্তি এজনৰ মানসিক দুৰ্বলতাৰ সূচক হব পাৰে। মানসিকভাৱে দুৰ্বল ব্যক্তিয়ে হয়. অপৰাধৰ সুচক হব পাৰে নতুবা মুখাপিন্ধি দুমুখীয়া চৰিত্ৰৰ পাতনি মেলিব পাৰে। বৰ্তমান সমাজ ব্যৱস্থাত এনেধৰণৰ দুমুখীয়া চৰিত্ৰধাৰী পয়োভৰে সমাজখনক একপ্ৰকাৰে গিলিবলৈ আৰম্ভ কৰিছে। শেহতীয়াকৈ সংঘটিত হোৱা দুটা ঘটনা পৰকীয়া প্ৰেমৰ বলি হৈ গুৱাহাটীৰ মাজমজিয়াত অভিনেতা এগৰাকীৰ হত্যাকাণ্ড আৰু ঘাতক মাতৃয়ে নিজস্ব সন্তানক হত্যা কৰি ট্ৰলিবেগত ভৰাই জংঘলত পেলাই দিয়াৰ ঘটনাই সচেতন মহলক শংকিত কৰি তুলিছে। দুটা ঘটনাৰ মূলতে আছিল পৰকীয়া প্ৰেম। অন্ধ মায়াৰ জালত আৱদ্ধ হৈ নিজস্বতাৰ জ্ঞানহীনতাৰ ফল আমি উপলব্ধি নকৰাকৈ ভুগিব লগাত পৰে। দুৰ্নীতিত লিপ্ত সাধাৰণ কৰ্মচাৰীৰ পৰা উচ্চপদস্থ বিষয়াৰ লগতে ৰাজনীতিৰ ৰথী-মহাৰথীৰ অপকৰ্মৰ ফল সন্তান সকলে ভুগে। মুখাপিন্ধা সমাজ হিতৈষীয়ে সমাজতে লাঞ্ছিত বাঞ্ছিত হয়। তথাকথিত অসমৰ শিল্পী সকলে মুখেৰে ফুলঝাড়ী মাৰে, বংগৰ পৰা শিল্পী আহি লগত বাওঞ্চাৰ লৈ ঘূৰিফুৰে। অসমীয়া জাতি বৰ আবেগিক জাতি বুলি কয় যদিও গণ্যমান্য গুণী জ্ঞানী সকলে অসমীয়া জাতিক কেকোৰা জাতি বুলি কয়। আধুনিকতাৰ ধামধুমীয়াত পাশ্বাত্যক আকোঁৱালি নিজস্ব সমাজ- সংস্কৃতিক শ্ৰদ্ধাঞ্জলি পাতি আমি নতুন অসমীয়া। তাহানিৰ পিতৃ আজিৰ পাপা, মাতৃক কয় মাম্মী। নতুন অসমীয়া মুখত আজি মাতৃভাষা নুফুটা হ’ল। অসমীয়া জাতিৰ স্বভিমান জাতীয় বিহুটি যৌনতাৰ পয়োভৰত মৌ বিহুত ৰূপান্তৰিত হ’ল। উন্নয়নৰ অৰ্থ নুবুজা আজিৰ অসমীয়া হিতাধিকাৰী হ’ল। সস্তীয়া শুকুৰ আলী সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰি চেলিব্ৰিটি হ’ল, লোকবাদ্য বজাই লোকসংস্কৃতিক জীয়াই ৰখা খিলঞ্জীয়া সকল ফুটপাথৰ ভিক্ষাৰী হ’ল। তাহানিতে কোৱা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কথাশাৰী আজি আখৰেআখৰে মিলি গ’ল, আজিৰ অসমীয়া অসমতে ভগনীয়া হ’ল। এলেহুৱা অসমীয়াৰ বজাৰ- পথাৰ অন-অসমীয়াৰ হাতলৈ হস্তান্তৰিত হ’ল। মাটি বিক্ৰী কৰি, অট্টালিকা সাঁজি, বিলাসী বাহন ক্ৰয় কৰি ৰাতিৰাতি বিলাসী বটলৰ জাকজমকতাত আৱদ্ধ হৈ সমূলি ৰসাতলে গ’ল। কেওফালে চলিছে হত্যা, হিংসা, যুদ্ধ, পৰচৰ্চা, ঈৰ্ষা, ধৰ্ষণ সকলোতে চলিছে কেৱল অৰাজকতা সমূলি ধ্বংস বিনাশৰ দিশে ধাৱমান মানৱজাতি সকলোতে কেৱল নিকৃষ্ট ৰাজনীতি। অৱশেষত এফালৰ পৰা সমস্ত দুখ - দুৰ্দশা নস্যাৎ কৰি আমি বিচাৰি পালোঁ মনোৰঞ্জনৰ আড্ডা স্থলী।

শৈলেন কুমাৰ, মিৰ্জা

# মৃত্যু অপৰাজেয়

তুলিকা খাটনীয়াৰ



আজি অসম তথা ভাৰত  
ত্ৰস্তমান পাকিস্তানী সন্ত্ৰাসবাদৰ প্ৰভাৱত  
ভাৰতীয় সেনা জোৱান পাচ জনকৈ  
হ’ল নিহত।  
তেওঁলোক মৰিও অমৰ  
তেওঁলোক দেশ ৰক্ষক  
তেওঁ লোকৰ বাবেই আমি শান্তিৰ  
উশাহ-নিশাহ ল’বলৈ পাৰিছো।  
হে নৱ - জোৱান শত শত বাৰ  
কৰিছোঁ প্ৰণাম।  
তোমাৰ জীৱনৰ আশা আকাংক্ষা  
কলিতেই মৰহি গ’ল যদিও  
তোমালোক মৰিও অমৰ  
দেশৰ জাতি- মাটি- ভেটি ৰক্ষাৰ স্বাৰ্থত  
প্ৰাণৰ আহুতি দিলা হাঁহি মুখেৰে।  
তোমালোকৰ নাই পৰাজয়  
স্বাধীন ভাৰতৰ সু সন্তান  
মৃত্যুৱে কেতিয়াও নুবুজায় পৰাজয়  
পিতৃ- মাতৃ, ভগিনীৰ, বুকু সুদা হ’ল  
কাৰোবাৰ কপালৰ ৰঙা তিলক  
মচা গ’ল।  
ভাৰত মাতাৰ সু সন্তান তুমি  
তোমাৰ মৃত্যু নহয় পৰাজয়।  
হে বীৰ শ্বহীদ সেনানী  
তোমাৰ নাম সোণালী আখৰেৰে  
থাকিব লেখা ইতিহাসৰ বুকুত  
তোমাক জনালোঁ প্ৰণাম  
তোমাক জনালোঁ প্ৰণাম।

# শ্বহীদ

বলিন বৰদলৈ, আলামি, গোলাঘাট



আই মই তোৰ বাবে  
জীৱন বলিদান দিলো  
উকা হ’ল তোৰ বুকু  
মৰমৰ মানুহজনীৰ কঁপালৰ  
ৰঙাবেলিটো মছ খাই গ’ল !  
চেনেহৰ সন্তানকেইটা অনাথ ... ।  
মই জানো তহঁতে  
মোক হেৰুৱাই দিশহাৰা হৈছ  
নিঠৰ দেহাটো দেখি  
ৰাউছিজুৰি ৰাউছিজুৰি কান্দিবি !  
কিন্তু ... কিন্তু কি কৰিবি  
জানইচোন আমি বলিৰ পঠা ।  
তহঁতে দুখ: নকৰিবি  
তহঁতে মোক লৈ  
গৌৰৱ কৰিব পাৰিবি  
কাৰণ মই শ্বহীদ ।

# The secret to lasting happiness: A path to fulfilment and well-being




**Heramba Nath**

Happiness is a universal desire, yet it remains elusive for many. People often associate happiness with material success, wealth, or external achievements, but true happiness lies in something deeper. One of the fundamental aspects of happiness is gratitude. By focusing on what we have instead of what we lack, we can develop a sense of contentment. Practising gratitude can be as simple as keeping a gratitude journal, expressing appreciation to others, or reflecting on positive past experiences. This shift in perspective helps to create a more positive outlook on life.

Another essential element of happiness is building and maintaining positive relationships. Surrounding oneself with supportive and uplifting individuals contributes significantly to emotional well-being. Investing time in relationships, showing empathy, and appreciating loved ones can strengthen bonds and foster a sense of belonging. Genuine connections with family, friends, and the community enhance overall happiness.

Mindfulness plays a crucial role in achieving happiness. Living in the present moment without judgement helps reduce stress and increase self-awareness. When individuals practise mindfulness, they develop a greater sense of inner peace. This can be achieved through meditation, deep breathing exercises, or simply by paying attention to daily experiences with full awareness. Mindfulness encourages individuals to appreciate the small joys in life and prevents them from dwelling on the past or worrying about the future.

A strong sense of purpose and meaning also contributes to happiness. Engaging in activities that align with personal values and passions brings a deep sense of fulfilment. People who pursue meaningful goals and participate in activities that resonate with their beliefs experience a greater sense of satisfaction. Taking time to reflect on what truly matters, exploring new interests, and setting personal goals can enhance happiness.

Self-care is another vital component of happiness. Taking care of physical, emotional, and mental well-being is essential for maintaining a balanced and fulfilling life. Regular exercise, a healthy diet, adequate rest, and relaxation techniques help to reduce stress and improve overall well-being. When individuals prioritise self-care, they feel more energised and emotionally stable, which contributes to long-term happiness.

To sum up, happiness is not the result of a single factor but rather a combination of various elements. Gratitude, positive relationships, mindfulness, a sense of purpose, and self-care all play a role in fostering happiness. By integrating these principles into daily life, individuals can cultivate a deeper sense of contentment and fulfilment. True happiness does not come from external sources but from within. By adopting a positive outlook, nurturing meaningful relationships, staying present, and taking care of oneself, happiness becomes an achievable and lasting state.

# জগতে সদায় জ্ঞান দিয়ে কিন্তু লগ কেতিয়াও নিদিয়ে

“একল চৰণং কৰোতি মনুষ্যো ন সহ চৰিষ্যতি” এক প্ৰসিদ্ধ সংস্কৃত শ্লোকৰ মতে “মানুহে কেৱল অকলেই আগুৱাই যাব পাৰে। আৰু মানুহে একলগ হৈ কেতিয়াও আগুৱাই যাব নোৱাৰে।” অৰ্থাৎ ওপৰত উল্লেখ কৰা সংস্কৃত শ্লোকৰ জৰিয়তে এইটোৱে বুজাবলৈ চেষ্টা কৰা হৈছে যে, মানুহে নিজৰ মাৰ্গ নিজে সুনিশ্চিত কৰি আগুৱাই যাব লাগিব। নিজৰ মাৰ্গত গতি কৰিবলৈ সহভাগি বিচাৰি থকাটো একেবাৰে অৰ্থহীন। তথাপিও আমি যেতিয়া অসহায় হৈ পৰো ।ঠিক তেতিয়া আমি বহু মানুহে হয়তো মনে মনে ভাবোঁ যে, কোনোবাই আহি আমাক এই পৰি থকা বিপদৰ পৰা ওলাই লৈ যাব নেকি বুলি। কিন্তু আপুনি আপোনাৰ বিপদৰ দিনখিনি পাৰ কৰাৰ পিছত পিচলৈ লক্ষ্য কৰি চালে গম পাব যে, মানুহে আপোনাক হয়তো বহুতো উপায় প্ৰদান কৰিছে। তথাপিও জীৱনত অহা সমস্যাৰ সমাধান আপুনিয়ে উলিয়াব লগা হৈছে। অৰ্থাৎ মই কোৱা কথাৰ তাৎপৰ্য এইটোৱেই, “জগতে সদায় জ্ঞান দিয়ে কিন্তু লগ কেতিয়াও নিদিয়ে।” এতিয়া প্ৰকৃত কথাটো হল আমি প্ৰতিজন মানুহে এক সামাজিক জীৱ। আমি প্ৰত্যেকজন মানুহৰে মা, দেউতা, পত্নী, সা-সন্তান আদি নিশ্চয়কৈ থাকে। গতিকে আপোনালোকে হয়তো ভাবিব পাৰে যে, এই সকলোবোৰ সামাজিক দায়বদ্ধতাৰ মাজত আবদ্ধ হৈ আমি আকৌ কেনেকৈ অকলশৰীয়া ভাবে গতি কৰিব পাৰি। কিন্তু একান্ত মনে বহি গভীৰতাৰে চিন্তা কৰিলে আমি প্ৰতিজন মানুহে গম পাম যে, এই সকলোবোৰ থকাৰ বিপৰীতেও নিজস্বতাৰ এক সুকীয়া পৰিচয় আছে। গতিকে জগতৰ পৰা নিজ জীৱন পৰিচালনা কৰিবলৈ অন্যান্য মানুহৰ লগ পোৱাৰ আশাবোৰ ত্যাগ কৰি নিজে নিজৰ পথ সুনিশ্চিত কৰি যাব লাগিব। আৰু যদিও কিবা কাৰণ বসত জীৱনত আগবাঢ়ি যাবলৈ আপোনাৰ লগত কিছুমান মানুহ



**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

আহি লগ লাগি যায়। তথাপিও সেই লগৰবোৰ সন্তেকিয়া মাত্ৰ হয়। কাৰণ নিজৰ জীৱনৰ সমাপন সদায় নিজৰ জৰিয়তে হয়। তথাপিও বৰ্তমান সময়ত জগতে কেৱল জ্ঞান প্ৰদান কৰাহে বেছিকৈ দেখিবলৈ পোৱা যায়। কাৰণ আপোনাৰ লগ দিবলৈ গলে নিজ জীৱনৰ কাৰ্য্যবোৰ আধৰুৱা হৈ পৰাৰ সকলোৰে ভয় উজাগৰ হৈ থাকে আৰু ইয়াৰ ওপৰিও আমি একেলগে হৈ গতি কৰাটো এই নিয়তিৰ নিয়ম অনুসৰিও কেতিয়াও সম্ভৱপৰে নহয়।




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

যোৱাখণ্ডৰ পৰা...

# প্ৰতাৰিত সময়ৰ দিনলিপি

" আৰে আত্মহত্যা নকৰি কৰিম কি? এতিয়া মোৰ ওচৰত কৰিবলৈ কাম বুলি এটায়ে আছে সেয়া হ'ল আত্মহত্যা।"- মানুহগৰাকীক মই ক'লো।

মানুহগৰাকীয়ে মোৰ মুখলৈ একেথৰে চাই থাকি পুনৰ সুধিলে -"কিহৰ কাৰণে আপুনি আত্মহত্যা কৰিব ওলাইছে।"

"সেইবোৰ বহু কথা। আপোনাৰ সময় নহ'ব শুনিবলৈ।"- মই ক'লো

" আপুনি কৈ যাওক।"- মানুহগৰাকীয়ে ক'লে

" ঠিক আছে তেন্তে শুনক। আধা শুনি কিন্তু ঘৰলৈ যাব নোলাব।" -- মই ক'লো

" আপুনি বৰ লেনিয়াই থাকে ক'ব কৈছো কওক।"- মানুহজনীয়ে এইবাৰ অলপ বিৰক্তিৰে ক'লে।

" শুনক তেনেহ'লে। আচলতে আমাৰ জীৱনটোত একোৱেই নাই। চৰায়ে খেৰকুটা বুটলি বাহ সজাৰ দৰে আমিও কিছুমান সপোন বুটলি আমাৰ জীৱনটো সজাও। বতাহ বৰষুণত যেনেকৈ কষ্টৰে সজোৱা বাহটো ভাঙি ছিঙি থানবান হয় ঠিক তেনেদৰে আমাৰ সপোনবোৰো এদিন এটা সামান্য আঘাততে নিঃশেষ হৈ যায়। আৰু তেতিয়াই বুকুত অসহনীয় বেদনাই পীড়া কৰিবলৈ আৰম্ভ কৰে। হতাশাই থেকেচি পেলাই মন মগজু। নিজকে বৰ অসহায় যেন লাগে। "কথাখিনি কৈ হুমুনিয়াহ এটা কাঢ়ি পুনৰ ক'বলৈ মুখ মেলিছিলোহে তেনেতে মানুহগৰাকীয়ে ক'লে -- আপুনি ইমান দীঘল পাতনি মেলাৰ দৰকাৰ নাই। জীৱন কি মইও জানো। জীৱনে অকল আপোনাকেই থেকেচি পেলোৱা নাই। আপোনাক মোক আৰু বহুতকে বৰভুইকুঁপে জোকাৰৰ দৰে জোকাৰিছে। গতিকে কথাবোৰ টু দা পইণ্ট ক'লেও হ'ব। বৃহৎ কলেবৰৰ উপন্যাসত যেনেদৰে দুই শাৰীত ক'ব পৰা কথাটোৰ বাবে চাৰি পাঁচ পৃষ্ঠা পেঘেনিয়াই থাকে ঠিক তেনেদৰে পেঘেনিয়া থকাৰ দৰকাৰ নাই।"

মানুহজনীৰ কথাত মই বুজি পালো তেওঁ অলপ বিৰক্তি অনুভৱ কৰিছে। কওঁ নে নকওঁ কথাবোৰ তাকে ভাবিব ধৰিলো। কিছু সময় মৌনতাৰে পাৰ হৈ গ'ল। একো নোকোৱা দেখি মানুহজনীয়ে পুনৰ ক'লে -- " কি ভাৱিছে কওক আকৌ।" এইবাৰ মানুহজনীৰ মাতত কিছু কমনীয়তা আছিল। মানুহজনীৰ পৰা সঁহাৰি পাই গল খেকাৰি এটা মাৰি ডিঙিতো পৰিষ্কাৰ কৰি ল'লো ঠিক মিটিঙত ভাষণ দিয়া বৰ বৰ নেতা, বুদ্ধিজীৱি সকলে মাইক্ৰোফোনতো ফুৱাই বা আঙুলিৰে টুকুৰিয়াই চেক কৰি লোৱাৰ দৰে।

মা দেউতা আৰু মই। এই তিনিজন মানুহেৰেই গঠিত আমাৰ সৰু সুখী পৰিয়ালটো। থুপুক থাপাক খোজ কঢ়াৰ পৰা কলেজৰ দেওনা পাৰ হোৱালৈকে মা দেউতাই কষ্ট নোপোৱাকৈ ডাঙৰ দীঘল কৰিলে। দীঘলীয়া শৈক্ষিক জীৱনৰ যাত্ৰা সমাপ্ত কৰাৰ পিছত কৰ্ম সংস্থাপনৰ চিন্তা আহিল। আজিৰ দিনত চৰকাৰী চাকৰি ল'বলৈ হ'লে অকল চাৰ্টিফিকেট কেইখনেৰে নহয়। চাৰ্টিফিকেট কেইখনৰ লগত অফিচাৰ, মন্ত্ৰী, বিধায়কৰ মুখত হাঁহিৰ ফুল ফুলাব পৰাকৈ গান্ধীৰ ফটোৰো উপচাৰ হিচাপে আগবঢ়োৱাৰ সামৰ্থ থাকিব লাগিব। যিখিনি সামৰ্থ মোৰ নাছিল। তথাপিও চাকৰি নিবিচৰাকৈ থকা নাছিলো এইটো জানিও যে টকা দিব নোৱাৰিলে চাকৰি নাপায়। চাকৰিৰ পিছত বৰ এটা লৰা ঢাপৰা নকৰি এদিন মাৰ হাতত থকা সাঁচতীয়া টকাৰে ব্যৱসায়ত হাত দিলো।

মধ্যবিত্ত পৰিয়াল এটাৰ হাতত কিমানো সাঁচতীয়া ধন থাকিব পাৰে আপুনিয়ে ভাবক? আটাইখিনি টকাটো উলিয়াইও নিব নোৱাৰি। কেতিয়া কি বিপদ আহে কোনে জানে। তথাপিও মাই যি কেইটা টকা হাতত তুলি দিছিল সেই টকাকেইটাকে সম্বল হিচাপে লৈ আগবাঢ়িলো। মনত এটাই চিন্তা যিকোনো প্ৰকাৰে এবাৰতেই সফল হ'ব লাগিব। কিবা কাৰণত সফল হ'ব নোৱাৰিলে দ্বিতীয়বাৰৰ বাবে ইনভেষ্ট মানি হাতত নাই।

ব্যৱসায় ঠিকে চলিব ধৰিলে। কম টকাৰে আৰম্ভ কৰা ব্যৱসায়টোত ভালেই লাভ হ'ব ধৰিলে। মা দেউতাৰ মুখত হাঁহি বিৰিঙিলে। মা দেউতাৰ মুখ দুখনলৈ চাই যি সুখ অনুভৱ কৰিছিলো সেয়া আছিল মোৰ জীৱনৰ চৰম সুখৰ মুহূৰ্ত। কিন্তু সেই সুখ স্থায়ী নহ'ল। হঠাৎ এদিন দেউতা অসুস্থ হৈ পৰিল। প্ৰথমতে গাঁওৰ চৰকাৰী চিকিৎসালয়ত দেখুৱালো যদিও বেমাৰ ভাল নোপোৱাত দেউতাক গুৱাহাটীলৈ লৈ গ'লো। গুৱাহাটীৰ ডাক্তৰে পৰীক্ষা নিৰীক্ষা কৰি অসমৰ বাহিৰলৈ নিয়াৰ পৰামৰ্শ দিলে। সময় নষ্ট নকৰি দেউতাক লৈ চেন্নাই পালো। তাতেই ধৰা পৰিল দেউতাৰ দুৰাৰোগ্য কেন্সাৰ। ডাক্তৰৰ মুখৰ পৰা বেমাৰৰ নামটো শুনাৰ লগে লগে সৰ্বশৰীৰ কঁপি উঠিল। নিজকে কোনো অচিন গ্ৰহৰ অচিন হিংস্ৰ জীৱৰ মাজত থকা যেন লাগিল।

এক দীঘলীয়া চিকিৎসাৰ অন্তত দেউতাক ঘৰলৈ ঘুৰাই আনিলো। চিকিৎসাই কোনো ফল নধৰিলে। ডাক্তৰে আৰু কেইমাহ মানহে বাচি থাকিব বুলি কৈ ওভোতাই পঠাইছিল। হাজাৰ কষ্টইও তলাব নোৱাৰা দেউতা লাহে লাহে বেমাৰৰ ওচৰত সেও মানিছিল। শেষ দিন কেইটা আৰু বেছি কষ্টকৰ হৈ উঠিল দেউতাৰ বাবে। অকল দেউতাৰ বাবে বুলি ক'লে ভুল কোৱা হ'ব। মা আৰু মোৰ বাবেও দেউতাৰ শেষ দিনকেইটা যন্ত্ৰনাদায়ক হৈ পৰিছিল। মায়ে আক্ষেপ কৰি কৈছিল- "কোনোদিনে মাখি এটাও মাৰি নোপোৱা মানুহজনক ভগৱানে ইমান কষ্ট কিয় দিব লাগে। কাৰো এটকাও অন্যায় নকৰা আনৰ দুখত দুখী হোৱা মানুহজনক এনেকৈ কষ্ট দিবলৈ কণা ঈশ্বৰৰ এবাৰো বেয়া নালাগিল নে? এনেকৈ মানুহজনক কষ্ট দি থকাতকৈ মাৰি নিলেওতো হয়। অন্তত মানুহজনৰ আত্মাটোৱে মুক্তি পাব।" মাৰ লাহে লাহে ঈশ্বৰৰ প্ৰতি থকা ভক্তি কমি আহিছিল। পুৱা গধূলি গোঁসাই ঘৰত চাকি জ্বলোৱাটো মায়ে এৰি দিছিল। দেউতাৰ যন্ত্ৰনা কাতৰ কেঁকনিবোৰ শুনি শুনি চকুপানী টোকাৰ বাহিৰে মোৰ হাতত একো উপায় নাছিল। কেতিয়াবা এনে লাগিছিল যে মানুহজনক নিজ হাতে ডিঙি চেপি মাৰি পেলাও। তেতিয়া অন্তত যন্ত্ৰনাত ছটফটাই থাকিব নালাগে। পিছ মুহূৰ্ততে অনুশোচনাত ভুগি চাটি ফুটি মৰিছিলো। ছিঃ এনে কথা বাৰু মই কেনেকৈ ভাবিব পাৰিলো। এদিন দেউতাই চিৰ বিদায় লৈছিল। সেইদিনা যিমান দুখ লাগিছিল তাতকৈ বেছি শান্তি পাইছিলো। কাৰণ মানুহজনে অত দিনে যি যন্ত্ৰনাক সাৱটি দিনবোৰ কটালে সেই যন্ত্ৰনাৰ পৰা মুক্তি পালে। মনতে ভাৱিলো শত্ৰু হ'লেও এনেকুৱা শাস্তি ভগৱানে যেন কাকো নিদিয়ে। মাৰ খেচখেচনিত পৰি এদিন বিয়াখন পাতি পেলালো। কিন্তু মোৰ মুঠেই বিয়া পতাৰ ইচ্ছা নাছিল। কাৰণ ইতিমধ্যে দেউতাৰ চিকিৎসাৰ নামত যি টকা জমা কৰিছিলো সেই আটাইখিনি খৰচ হৈছিল। হাতত জমা বুলিবলৈ বৰ বিশেষ নাছিল। গতিকে এনেকুৱা সময়ত মই বিয়া পতাৰ মুঠেই পক্ষ পাতী নাছিলো।



কিন্তু পুৱা গধূলি মাৰ একেখিনি কথা শুনি শুনি অধৈৰ্য হৈ পৰিছিলো। মাৰ কথাখিনিও অগ্ৰাহ্য কৰা কথা নহয়। মৰাৰ আগত নাতিৰ মুখ চাই যোৱা হেঁপাহ। মাৰ এই ইচ্ছাটোক পূৰণ কৰিব নোৱাৰিলে জীৱনত নিজকে কেতিয়াও ক্ষমা কৰিব নোৱাৰিম। এই মাজনীয়ে কমখন কষ্ট কৰি ডাঙৰ কৰা নাই মোক। নিজে নিপিন্ধিও পিন্ধাইছিল, নাখাইও খুৱাইছিল। গতিকে মাৰ মুখলৈ চাই বিয়াখন পাতি পেলাইছিলো।

বিয়া পতা মানেই যে জঞ্জাল বঢ়োৱা। মোৰ সেই সময়খিনিত জঞ্জাল বঢ়োৱাৰ মুঠেই ইচ্ছা নাছিল। কিন্তু কিছুমান কাম নিজৰ ইচ্ছা নহ'লেও কৰিব লাগে আপোনজনৰ মুখত হাঁহি বিৰিঙাবলৈ। মোৰ বিয়াখন হৈ যোৱাত মাই নিজকে খুবেই সুখী অনুভৱ কৰিছিল। মাৰ মুখত হাঁহি দেখি মই সুখী হৈছিলো। আমাৰ সময়বোৰ হাঁহি ধেমালিৰ মাজেৰে অতিবাহিত হৈছিল। শাহু বোৱাৰীৰ মিল দেখি স্বস্তিৰ নিশ্বাস এৰিছিলো। শাহু বোৱাৰীবোৰৰ মাজত লগা খকাখুন্দাবোৰ দেখি মোৰ মনৰ মাজতো শঙ্কাই ভুমুকি নমৰাকৈ থকা নাছিল। যদি সচৰাচৰ শাহুৰেক বোৱাৰীয়েকবোৰৰ মাজত লগাৰ দৰে মা আৰু পত্নীৰ মাজতো কাজিয়া লাগে তেতিয়া কাৰ হৈ মাতিম। মাৰ ভুল হ'লেওটো মাক একো ক'ব নোৱাৰো। কাৰণ পত্নীৰ হৈ কিবা এষাৰ কৈ মাৰ মনত দুখ দিব নিবিচাৰো। **আগলৈ..**

যুগান্ত দাস, ভৱানীপুৰ, বজালী

# বৰষুণৰ দিনবোৰলৈ..



বিশ্বজিৎ বৈশ্য, বংশৰ, (শুৱালকুছি)

বৰষুণৰ টোপ টোপ শব্দই আনে মনৰ এক অন্য মাদকতা, যাৰ দুচকুত ভাহি আহে বৰ্ষাৰ সপোন। সচাকৈয়ে বৰষুণৰ যি মাদকতা তাক নুই কৰিব নোৱাৰি। নামি অহা বৰষুণজাকে আমাক দিয়ে অনাবিল আনন্দৰ লগতে খেতি পথাৰ, গছ-গছনি, ঘৰ আদি বোৰ ঢুৱাই এক নতুনত্বৰ চানেকি তোলাই দিয়ে। প্ৰয়োজনত শস্য আদিৰো বহুতো সমস্যাৰ সমাধান কৰি দিয়ে। প্ৰতিটো সময়ৰ খোজত যেন নামি আহে এজাক কিনকিনীয়া বৰষুণ। গছৰ পাতত লাগি থকা বৰষুণৰ টোপালবোৰ যেন একো একোটা প্ৰাকৃতিক স্ফট। এই ধৰাত জীৱ-জন্তু আদি কৰি সকলোৱে বৰষুণৰ এই মধুৰ আনন্দৰ মাজত বিলীন হোৱা দেখা যায়। সময়ৰ আহ্বানত নিজে নিজৰ প্ৰতি যি দায়িত্ব লব লাগে সেয়াও সম্ভৱ হয় একমাত্ৰ বৰষুণত জীপাল হৈ থকা পৃথিৱীখনৰ বাবে। আকাশত থকা মেঘবোৰৰ সতে দৌৰি ফুৰা, চিকমিকনীৰ প্ৰচণ্ড শব্দৰ মায়াজালে আৱৰি ধৰা, এন্ধাৰ নামি অহা এই আটাইবিলাক আচলতে প্ৰকৃতিৰ নিয়ম। ধাৰাযাৰ বৰষুণৰ প্ৰভাৱ এইকেইটা নিয়মৰে এটি অংগস্বৰূপ। যি সময়ত বিভিন্ন কাম-কাজৰ মাজত থাকি এজাক বৰষুণৰ অনুভৱ কৰা হয় সেই সময়ছোৱাত আৰম্ভ হৈ পৰা দেখা যায় মেঘৰ ঢোৰাচন্নৰে আৱৰি ধৰা এই পৃথিৱীখন।

# কলিয়াভোমোৰা দলঙৰ

আৰএফে নাৱেৰে নদীৰ বুকুত তৎপৰতাৰে উদ্ধাৰ অভিযান আৰম্ভ কৰে। উল্লেখ্য যে মালবাহী ট্ৰেইলাৰখন ব্ৰহ্মপুত্ৰত প্ৰচণ্ড জোৰে পৰি যোৱাৰ লগে লগে দ্বিখণ্ডিত হৈ পৰে। ট্ৰেইলাৰৰ এটা অংশ ঘটনাস্থলীৰ পৰা প্ৰায় ২০ মিটাৰ দূৰৈত ব্ৰহ্মপুত্ৰৰ পানীত ওপঙি থকাৰ বিপৰীতে ওপঙি থকা আনটো অংশ অৰ্থাৎ বাহনৰ আসনৰ কেবিনটোত উদ্ধাৰকাৰীদলে ৰেইলডিং যন্ত্ৰৰে কটাৰ পিছতে ভিতৰত এটা মৃতদেহ উদ্ধাৰ হয়। প্ৰায় দুঘণ্টা ধৰি উদ্ধাৰকাৰীদলে অতি ক্ষিপ্ৰতাৰে অভিযান চলাই উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা মৃতদেহটো দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ চালকজনেই বুলি ধাৰণা কৰা হৈছে।

# কাশ্মীৰৰ সেনাৰ

প্ৰশংসা কৰি কয় যে ভাৰতীয় সেনাই কেৱল প্ৰতিৰক্ষাত আত্মনিৰ্ভৰশীলতাকেই প্ৰমাণিত কৰা নাই, শক্তিশালীভাৱে যে প্ৰত্যাক্ৰমণ কৰিব পাৰে, তাকো প্ৰমাণিত কৰিলে। সন্ত্ৰাসবিৰোধী অভিযানৰ ইতিহাসত এই অপাৰেচন সিন্দুৰ গুৰুত্বপূৰ্ণ হিচাপে সদায়ে চৰ্চিত হৈ থাকিব। ইপিনে পাকিস্তানৰ পাৰমাণৱিক ভাণ্ডাৰত ভাৰতে আক্ৰমণ কৰা বুলি দেশখনে কৰা দাবীক নস্যাৎ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আন্তৰ্জাতিক সমুদায়ৰ দ্বাৰা দেশখনক পাৰমাণৱিক প্ৰকল্প নিৰীক্ষণ কৰাৰ বাবে দাবী জনায়। পাৰমাণৱিক প্ৰকল্প সম্পূৰ্ণৰূপে সুৰক্ষিত হৈ আছে বুলি দাবী কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষক ৰাষ্ট্ৰ তথা দুৰ্বৃত্ত পাকিস্তানৰ হাতত থকা আণৱিক অস্ত্ৰই সমগ্ৰ বিশ্বকেই বিপদত পেলাব পাৰে বুলি বিশ্ব সমুদায়ক এইক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনায়। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত আত্মবলিদান দিয়া ভাৰতৰ বীৰ জোৱানক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে পেহেলগামৰ নিহতৰ প্ৰতিও শ্ৰদ্ধা জ্ঞাপন কৰে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে।

# পাকিস্তানে উভতাই

'অপাৰেচন সিন্দুৰ'ৰ পিছত যুদ্ধবিৰতি আৰম্ভ হোৱাৰ পিছতে দুয়োগৰাকী বন্দীৰ মুক্তি নিশ্চিত হৈ পৰে। বুধবাৰে দুয়োখন দেশে দুয়োগৰাকী বন্দীক মুক্তি দিয়ে। বুধবাৰে পুৰা বাঘা-আট্টাৰি সীমান্তৰে বিএছএফৰ জোৱান পুৰ্নমে আহি ভাৰতত প্ৰৱেশ কৰে। বিশ দিনৰ পিছত পুৰ্নমক মুক্তি দিয়া হৈছে। আনফালে পাকিস্তানী ৰেঞ্জাৰ্ছ মাহমুদ উল্লাহক মুক্তি দিয়ে ভাৰতে।

# দেশৰ ৫২ সংখ্যক মুখ্য

স্থলাভিষিক্ত হয়। হিন্দী ভাষাত শপত গ্ৰহণ কৰে ভূষণ ৰামকৃষ্ণ গাভাই। গাভাৰ কাৰ্যকাল ৬ মাহৰ হ'ব । তেওঁ ২০২৫ চনৰ ২৩ নৱেম্বৰ তাৰিখে কৰ্তব্যৰ পৰা অৱসৰ গ্ৰহণ কৰিব । ন্যায়াধীশ গাভাইৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰ, আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, ন্যায়াধীশ গাভাইৰ পৰিয়ালৰ সদস্যবৃন্দ, পূৰ্বৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকল উপস্থিত থাকে। ১৯৬০ চনৰ ২৪ নৱেম্বৰত মহাৰাষ্ট্ৰৰ অমৰাৱতীত জন্মগ্ৰহণ কৰিছিল গাভায়ে। নিজৰ শৈশৱ বস্তি অঞ্চলত কটাইছিল গাভায়ে। ১৯৮৫ চনত বোম্বাই উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰা গাভায়ে ২০০৩ চনত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্ত হৈছিল।

# পঞ্চায়ত নিৰ্বাচনৰ চূড়ান্ত

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দলীয় কাৰ্যকৰ্তালৈ আহ্বান জনাই কয়- কংগ্ৰেছৰ দৰে অহংকাৰী নহয়, ৰাইজৰ সেৱাৰ বাবে বিজেপিৰ নেতা-কৰ্মীসকলে কাম কৰিব লাগিব। অহংকাৰ কৰিলে কংগ্ৰেছৰ দৰে দশা হ'ব। বিজেপিৰ পঞ্চায়ত নিৰ্বাচনত নিৰ্বাচিত হোৱা প্ৰতিনিধিসকল, বিধায়ক আৰু সাংসদসকললৈ এটাই অনুৰোধ থাকিল যে এটা নিৰ্বাচনত জয়ী হ'লে অহংকাৰী হ'ব নালাগে। ৰাইজে আমাক ভোট দিয়া মানে তেওঁলোকৰ আশা-আকাংক্ষাও বৃদ্ধি হ'ব। ৰাইজে কেতিয়াও নাভাবে যাতে আমাৰ অহংকাৰ হৈছে। অহা ৮ মাহ পাছত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। কিন্তু পঞ্চায়ত নিৰ্বাচনক লৈ আমি যিমান স্ফূৰ্তি কৰিছোঁ সেই আনন্দ ইয়াতে শেষ কৰি বিধানসভা নিৰ্বাচনৰ কাৰণে প্ৰস্তুতি চলাব লাগে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে পঞ্চায়ত নিৰ্বাচনত বিৰোধীৰ অস্তিত্বক ধূলিসাৎ কৰি জিলা পৰিষদৰ ৩৯৭খন আসনৰ ভিতৰত এনডিএয়ে ৩০১খন আসন লাভ কৰিছে। একেদৰে বিজেপি আৰু মিত্ৰদলে আঞ্চলিক পঞ্চায়তত ১, ৪৩৬ আসন লাভ কৰিবলৈ সক্ষম হৈছে।

# কাশ্মীৰত নিৰাপত্তা বাহিনীৰ

আৰক্ষীয়ে চিনাক্ত কৰা মতে, নিহত সন্ত্ৰাসবাদী তিনিটা হৈছে-অৱন্তিপুৰাৰ জইছ-ই-মহম্মদৰ জিলা কমাণ্ডাৰ আছিফ আহমেদ শেখ, আমিৰ নাজিৰ ৱানি আৰু য়াবৰ আহমেদ ভাট। এই তিনিওটা সন্ত্ৰাসবাদী ২০২২ চনৰ পৰা দক্ষিণ কাশ্মীৰৰ বিভিন্ন অঞ্চলত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে জড়িত। উল্লেখ্য যে বৃহস্পতিবাৰে অৱন্তিপুৰাত ৩ জইছ-ই-মহম্মদৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী নিহত হোৱাৰ পূৰ্বে মঙলবাৰে ছ'পিয়ানৰ শুক্ৰু কেলাৰ বনাঞ্চলত নিৰাপত্তা বাহিনীয়ে, লস্কৰ-ই-তৈবাৰ সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰিছে। চোৰাংচোৱাৰ তথ্যৰ আধাৰত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

# মণিপুৰত সেনা আৰু

সামাজিক মাধ্যমত প্ৰকাশ কৰা মতে, আছাম ৰাইফলছে ভাৰত-ম্যানমাৰ সীমান্তৰ নিউ চামতল গাঁৱতঅভিযান চলাই এই সফলতা লাভ কৰে। ঘটনাস্থলীৰ পৰা বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও জব্দ কৰা হৈছে। সেনাই প্ৰকাশ কৰা মতে, সমগ্ৰ অঞ্চলটোত উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযান অব্যাহত আছে।

# আইচিচি টেষ্ট ৰেংকিঙৰ

ৰবীন্দ্ৰ জাদেজাই ২০২২ চনৰ ৯ মাৰ্চৰ পৰা টেষ্ট ৰেংকিঙৰ অলৰাউণ্ড শাখাৰ শীৰ্ষস্থানটো অধিকাৰ কৰি আছে। আইচিচি টেষ্ট ৰেংকিঙৰ অলৰাউণ্ড ৰেংকিঙত ৪০০ পইণ্ট অৰ্জন কৰি জাদেজাই শীৰ্ষস্থানটো নিজৰ দখলত ৰাখিছে। মন কৰিবলগীয়া যে ২০১৭ চনত জাদেজাই টেষ্ট ৰেংকিঙৰ অলৰাউণ্ড শাখাৰ শীৰ্ষস্থান দখল কৰিছিল যদিও তেওঁ মাত্ৰ এসপ্তাহৰ বাবেহে শীৰ্ষস্থানত উপবিষ্ট আছিল। ২০২২ চনৰ মাৰ্চ মাহৰ পৰা জাদেজাই ২৩খন টেষ্টত ১১৭৫ ৰান কৰাৰ লগতে ৯১টা উইকেটো দখল কৰিবলৈ সক্ষম হৈছিল। শেহতীয়াকৈ আইচিচিয়ে প্ৰকাশ কৰা ৰেংকিঙৰ অলৰাউণ্ড শাখাত বাংলাদেশৰ মেহেদী হাছান মিৰাজে দ্বিতীয় আৰু দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জানছেনে তৃতীয় স্থানটো অধিকাৰ কৰি আছে। উল্লেখ্য যে অলৰাউণ্ড শাখাৰ শীৰ্ষ দহত স্থান লাভ কৰা জাদেজাই হ'ল একমাত্ৰ ভাৰতীয় খেলুৱৈ।

# তুৰস্ক-আজাৰবাইজান ভ্ৰমণৰ

পাকিস্তানপ্ৰীতিক লৈ ক্ষোভপ্ৰকাশ কৰাৰ লগতে দেশ দুখন ভ্ৰমণ নকৰাৰ সিদ্ধান্ত লোৱা বুলি ভ্ৰমণ সংস্থা দুটাই সংবাদ মাধ্যমক জনাইছে। ইফালে 'পিকমাইট্ৰেল' নামৰ সংস্থাটোৱে তুৰস্ক আৰু আজাৰবাইজানলৈ নতুন বুকিং সম্পূৰ্ণৰূপে বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। লক্ষণীয়ভাৱে কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ পিছতে পাকিস্তানত আশ্ৰয় লৈ থকা সন্ত্ৰাসবাদীক উৎখাতৰ হুংকাৰ দিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই ঘটনাৰ দুসপ্তাহ পিছত ভাৰতীয় সেনাই পাকিস্তান থকা সন্ত্ৰাসবাদী শিবিৰত 'অপাৰেচন সিন্দুৰ' চলায়। এই সময়ছোৱাত তুৰস্কৰ সন্দেহজনক তৎপৰতা পোহৰলৈ আহে। অভিযোগ অনুসৰি সেই সময়ত তুৰস্কই যুদ্ধ জাহাজেৰে পাকিস্তানলৈ অস্ত্ৰ প্ৰেৰণ কৰিছিল। আজেৰবাইজানেও পাকিস্তানক সহায় কৰা বুলি অভিযোগ উঠিছিল। তুৰস্ক আৰু আজাৰবাইজানৰ সহায়ৰ বাবে ভাৰতৰ মাটিত পাকিস্তানে আক্ৰমণ কৰাৰ অধিক সুবিধা লাভ কৰিছিল বুলি ধাৰণা কৰা হৈছে। তুৰস্কৰ পৰা পোৱা ৩৫০টাতকৈ অধিক ড্ৰোন ভাৰতৰ বিৰুদ্ধে পাকিস্তানে ব্যৱহাৰ কৰিছিল বুলিও অভিযোগ অনা হয়। ইয়াৰ পিছতে দুয়োখন দেশৰ বিৰুদ্ধে ভাৰতত ক্ষোভৰ উদ্‌গীৰণ ঘটিছে।

# আমিনুল ইছলামক ৰাষ্ট্ৰীয় নিৰাপত্তা

ঘটনাৰ বাবে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক দোষাৰোপ কৰা সন্দৰ্ভত বিধায়ক আমিনুল ইছলামৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে সদৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১৫২/১৯৭/১৯৭(iv)। ১৩৩(i)/৩৫২/৩৫৩নং ধাৰাৰ অধীনত ৩৪৭/২৫ নম্বৰত এক গোচৰ ৰুজু কৰি এআইইউডিএফৰ ধিঙৰ বিধায়ক আমিনুল ইছলামক গ্ৰেপ্তাৰ কৰি ৪ দিনৰ আৰক্ষীৰ জিম্মাত লয়। জিম্মাৰ ম্যাদ শেষ হোৱাৰ পিছত ২৯ এপ্ৰিলত তেওঁক আৰক্ষীয়ে আদালতৰ জৰিয়তে নগাঁও কাৰাগাৰলৈ প্ৰেৰণ কৰে। তেতিয়াৰ পৰাই তেওঁ নগাঁও কাৰাগাৰত কাৰাবন্দী হৈ আছে। বুধবাৰে তেওঁক আদালতে জামিন প্ৰদান কৰাৰ পিছত নগাঁও আৰক্ষীয়ে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত গ্ৰেপ্তাৰ কৰে। নগাঁৱৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই বিধায়ক আমিনুল ইছলামক এনএছএত গ্ৰেপ্তাৰ কৰাটো নিশ্চিত কৰিছে।

# অৰুণাচলৰ বিভিন্ন স্থানৰ নতুনকৈ

অৰুণাচল প্ৰদেশৰ ২৭টা অঞ্চলৰ নতুন নামকৰণ কৰা হৈছে। স্মৰ্তব্য যে দীৰ্ঘদিন ধৰি অৰুণাচল প্ৰদেশ চীনৰ নিজ ভূখণ্ড বুলি দাবী কৰি অহা হৈছে। দেশখনৰ একাধিক মানচিত্ৰত অৰুণাচল প্ৰদেশক 'জ্যাংনান' অৰ্থাৎ তিব্বতৰ দক্ষিণ অংশ বুলি প্ৰকাশ কৰি অহা হৈছে। সেই জঘন্য পদক্ষেপ পুনৰ এইবাৰ গ্ৰহণ কৰিছে বেইজিং প্ৰশাসনে। দেশখনৰ এই ষড়যন্ত্ৰৰ পিছতেই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ভাৰতে। বিদেশ মন্ত্ৰণালয়ৰ তৰফৰ পৰা বিবৃতি প্ৰকাশ কৰি মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ভাৰতৰ ৰাজ্য অৰুণাচল প্ৰদেশৰ নামকৰণৰ ব্যৰ্থ আৰু অযুক্তিকৰ চেষ্টা চলাইছে চীনে। সেয়া ভাৰতৰ নজৰত আছে। পূৰ্বৰ দৰে ভাৰতে চীনৰ এই ষড়যন্ত্ৰক নস্যাৎ কৰি যাব বুলিও ৰণধীৰ জয়ছোৱালে বিবৃতিটোত উল্লেখ কৰিছে। চীনে যিমানেই নতুন নতুনকৈ অৰুণাচল ভূখণ্ডৰ নামকৰণ নকৰক কিয়, অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ আছিল, আছে আৰু থাকিব বুলি মন্তব্য কৰে বিদেশ মন্ত্ৰণালয়ৰ মুখপাত্ৰগৰাকীয়ে। স্মৰ্তব্য যে যোৱা বছৰ অৰুণাচল প্ৰদেশৰ ৩০টা স্থানৰ চীনে নতুনকৈ নামকৰণ কৰিছিল। শেহতীয়াকৈ একেই পদক্ষেপ গ্ৰহণ কৰিছে বেইজিঙে। ১২টা আৱাসিক অঞ্চল, ১১খন পাহাৰ, চাৰিখন নদী, এটা সুৰংগ আৰু দুটা খালিস্তানৰ নামকৰণ কৰিছে বেইজিং প্ৰশাসনে। এই ঘটনা সন্দৰ্ভত বিদেশ মন্ত্ৰণালয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে যে নিৰ্বোধৰ দৰে কাম কৰি আহিছে চীনে। নতুন নামকৰণ কৰিলেও বাস্তৱ কেতিয়াও সলনি কৰিব পৰা নাযায় বুলিও বিদেশ মন্ত্ৰণালয়ৰ প্ৰতিক্ৰিয়াত উল্লেখ কৰা হয়। লক্ষণীয়ভাৱে পূৰ্বৰ দৰে বেইজিং প্ৰশাসনৰ এই পদক্ষেপক নিন্দা কৰিছে যদিও এই সন্দৰ্ভত কোনোধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই ভাৰতৰ প্ৰতিবেশী দেশখনে। বাৰে বাৰে অৰুণাচলক নিজৰ ভূখণ্ড হিচাপে দাবী কৰি চীনে সীমান্তত ভাৰতৰ সৈতে সংঘাত দীৰ্ঘদিনলৈ অক্ষত ৰাখিব বিচাৰে বুলি বিশেষজ্ঞ মহলে ধাৰণা কৰিছে।

# অসম আৰক্ষীৰ 'অপাৰেচন ঘোষ্ট ছীম'ৰ

আৰক্ষী সঞ্চালকপ্ৰধান হৰমিট সিঙে সদৰী কৰা মতে, উক্ত ছীম কাৰ্ডকেইখনৰ পৰা আহৰণ কৰা তথ্যসমূহ চাইবাৰ জেহাদীৰ দলটোৱে পাকিস্তানৰ সন্ত্ৰাসবাদীলৈ প্ৰেৰণ কৰাৰ প্ৰস্তুতি চলাইছিল। তেওঁ লগতে কয় যে সাধাৰণতে যিকোনো এটা ম'বাইলত হোৱাটছএপ ইনষ্টল কৰাৰ সময়ত মেটাৰ তৰফৰ পৰা এটা পঞ্জীকৃত ম'বাইল নম্বৰৰ সবিশেষ সোধা হয়। তেতিয়া ব্যৱহাৰকাৰী লোকজনে মেটাক দিয়া ম'বাইল নম্বৰটো কোম্পানীৰ তৰফৰ পৰা হোৱাটছএপ নিৰ্দিষ্ট ম'বাইলটোত ইনষ্টল কৰিবলৈ এটা অ'টিপি প্ৰেৰণ কৰা হয়। এইখিনিতেই চাইবাৰ জেহাদী চক্ৰটোৰ মূল কাম আৰম্ভ হয়। তেওঁলোকে কোম্পানীটোৰ সকলো প্ৰক্ৰিয়া অনুসৰণ কৰি হোৱাটছএপৰ অ'টিপি লাভ কৰাৰ পাছতে সেইটো লগে লগে পাকিস্তানত থকা সন্ত্ৰাসবাদীলৈ প্ৰেৰণ কৰে। তাৰ পিছতে পাকিস্তানত সন্ত্ৰাসবাদীয়ে আন ম'বাইলত উক্ত অ'টিপিটো ব্যৱহাৰ কৰি নিৰ্দিষ্ট ভাৰতীয় ম'বাইল নম্বৰটোৰ আধাৰত হোৱাটছএপৰ একাউন্ট খুলি লয়। এনেধৰণৰ হোৱাটছএপ একাউণ্টক চাইবাৰ অপৰাধৰ ভাষাত মিউল একাউন্ট নামেৰে জনা যায়। অৰ্থাৎ উক্ত একাউন্টটোত দেখুৱাই থকা নম্বৰটো ভাৰতীয় টেলিকম কোম্পানীৰ নম্বৰ যদিও হোৱাটছএপটো মূলতঃ পাকিস্তানৰ পৰাই নিয়ন্ত্ৰণ হৈ থাকে। যাৰ বাবে বহু সময়ত ভাৰতীয় নিৰাপত্তা সংস্থাসমূহৰ বাবেও এনেধৰণৰ মিউল একাউণ্টৰ পৰা যদি কিবা চাইবাৰ অপৰাধ সংঘটিও হয়, তেন্তে মূল অপৰাধীজনৰ প্ৰকৃত অৱস্থিতি বিচাৰি উলিওৱাটো যথেষ্ট জটিল হৈ পৰে। শেহতীয়াকৈ গুৱাহাটী মহানগৰীত এনেধৰণৰ হোৱাটছএপৰ মিউল একাউণ্টৰ পৰা অহা বহু ফোনকল ৰিচিভ কৰি বহুসংখ্যক নাগৰিকে নিজৰ জমা ধন হেৰুওৱাৰ লগতে নানা সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। কিছুদিন পূৰ্বে চাইবাৰ আৰক্ষী থানায়ো এনেধৰণৰ ভুৱা হোৱাটছএপ কলৰ জৰিয়তে নাগৰিকৰ মূল হোৱাটছএপ একাউণ্ট বন্ধ হৈ পৰাৰ কেইবাটাও অভিযোগ লাভ কৰিছিল। আশ্চৰ্যজনক কথাটো হ'ল যে কেন্দ্ৰীয় নিৰাপত্তা সংস্থাই কিছুদিন পূৰ্বে অপাৰেচন সিন্দুৰৰ সময়ত কেইবাটাও এনেধৰণৰ হোৱাটছএপ কলৰ তথ্য লাভ কৰিছিল, য'ত ভাৰতীয় সেনাৰ গতি-বিধিৰ তথ্য সন্দৰ্ভতো আলাপ-আলোচনা হৈছিল। আনহাতে এছটিএফে গ্ৰেপ্তাৰ কৰা ৭ চাইবাৰ জেহাদীৰ ভিতৰত ৫জনেই ৰাজস্থানৰ ভৰতপুৰ আৰু আলৱাৰ জিলাৰ বাসিন্দা। ভাৰতৰ চাইবাৰ অপৰাধৰ অন্যতম অভিকেন্দ্ৰ হৈছে ৰাজস্থানৰ ভৰতপুৰ জিলা। তাৰ পৰাই দেশজুৰি সংঘটিত হোৱা বহু চাইবাৰ অপৰাধৰ তথ্য কেন্দ্ৰীয় সংস্থাসমূহে বহুবাৰ লাভ কৰাৰ লগতে পাকিস্তানৰ সৈতে তথ্য আদান-প্ৰদানৰো খবৰ লাভ কৰিছিল। এক অৰ্থত ধৃত জেহাদীকেইটা পঢ়া-শুনাৰ দিশৰ পৰা চোকা নহ'লেও চাইবাৰ অপৰাধৰ ক্ষেত্ৰত যথেষ্ট পৰিপক্ক আছিল বুলি আৰক্ষী সঞ্চালকপ্ৰধান হৰমিট সিঙে মন্তব্য কৰে। জেহাদীকেইটাৰ পৰা জব্দ কৰা ছীম কাৰ্ডকেইখন ভাৰতৰ বিভিন্ন প্ৰান্তত থকা এজেন্টক যোগান ধৰি পৰৱৰ্তী সময়ত পাকিস্তানত বহি থকা মূল সন্ত্ৰাসবাদীক সহায় কৰাটোৱে ধৃত জেহাদীকেইটাৰ অন্যতম উদ্দেশ্য আছিল। এছটিএফে অভিযান অব্যাহত ৰখাৰ লগতে ধুবুৰী জিলাৰ আন ১৪জন লোককো এই সন্দৰ্ভত আটক কৰি তদন্ত অব্যাহত ৰাখিছে। ইয়াৰ বাহিৰেও সমান্তৰালভাৱে ৰাজস্থান আৰু তেলেংগানাতো চাইবাৰ জেহাদীৰ সন্ধানত অভিযান স্থানীয় আৰক্ষীৰ জৰিয়তে চলাই আছে এছটিএফে। ধুবুৰী জিলাত আটক কৰা ১৪জন লোকক বৰ্তমানলৈকে গ্ৰেপ্তাৰ কৰা হোৱা নাই যদিও মাৰাথন জেৰা অব্যাহত ৰাখিছে এছটিএফে। এই সন্দৰ্ভত এছটিএফে ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২)/১৪৭/১৪৮/৬২নং ধাৰাৰ লগতে ইউএ (পি) আইনৰ ১৮নং ধাৰা আৰু তথ্য-প্ৰযুক্তি আইনৰ ৬৬নং ধাৰাৰ অধীনত ২/২০২৫ নম্বৰত এটা গোচৰ ৰুজু কৰি সমগ্ৰ ঘটনাটো তদন্ত কৰি আছে। এই সংবাদ মেলত এছটিএফৰ মুৰব্বী তথা গুৱাহাটীৰ আৰক্ষী আয়ুক্ত ড° পাৰ্থসাৰথি মহন্তও উপস্থিত আছিল।

# বোকাখাতত মন্ত্ৰী অতুল বৰাৰ গৃহত

যিবোৰ কাম মুখ্যমন্ত্ৰী ড° শৰ্মাৰ চৰকাৰে সম্ভৱ কৰি তুলিছে, তাৰ বাবে জনসাধাৰণ চৰকাৰ বা মিত্ৰদলৰ পক্ষত আছে। আনহাতে লগতে অনুষ্ঠানত উপস্থিত থকা কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই সাংবাদিকৰে বাৰ্তালাপত গৌৰৱ গগৈ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত কয় যে কংগ্ৰেছ এতিয়া ভাৰতবৰ্ষত নিঃচিহ্ন হৈছে গৌৰৱ গগৈক লৈ। দিল্লীত কথা ক'ব পাৰিলেই ভাল বুলি মানুহে ভাবিছিল বুলি উল্লেখ কৰি তাছাই কয়, যেতিয়া চৰকাৰ নিজৰ থাকিব তেতিয়া চিঞৰিব নালাগে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰতহে গৌৰৱ গগৈ সন্দৰ্ভত মন্তব্য কৰা বুলি মন্তব্য কৰি তাছাই কয় যে অন্যথা মই গৌৰৱ গগৈৰ নামেই নলওঁ। যোৰহাটৰ ফলাফলে প্ৰমাণ কৰিলে যে জনসাধাৰণ যদি লগত নাথাকে, গৌৰৱ আৰু গৌৰৱ হৈ নাথাকে। তেওঁলোকে জনসাধাৰণৰ মানসিকতা বুজি নাপায়, ভৱিষ্যতত তেওঁলোকে ৰাজনীতি এৰিব লাগে। বৰাক-ব্ৰহ্মপুত্ৰ দুয়োটা উপত্যকাতে তেওঁলোক ধৰাশায়ী হৈছে। ইয়াত মিত্ৰশক্তিয়ে ভাল ফলাফল দেখুৱাইছে। মুখ্যমন্ত্ৰীৰ উন্নয়নৰ নীতি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশক শক্তিশালী কৰাৰ লগতে অৰ্থনৈতিকভাৱে দেশৰ মানুহক শক্তিশালী কৰাৰ নীতিৰ লগতে বহু কথাই এই নিৰ্বাচনত মিত্ৰদলৰ সফলতাত প্ৰতিফলিত হৈছে। তাছাই বিৰোধীৰ প্ৰসংগত 'মোৰ বাবে আজিৰ তাৰিখত বিৰোধী প্ৰাসংগিক নহয়' বুলি মন্তব্য কৰি কয় যে তেওঁলোকে প্ৰাসংগিকতা অনা আৰু সম্ভৱো নহয়। তেওঁ আৰু কয়, মূলতঃ কেন্দ্ৰ আৰু ৰাজ্যত বিৰোধী নাই। তেওঁলোকৰ ভোটাৰ আছে, কিন্তু নেতৃত্ব নাই আৰু বহুদিনলৈ যে নাথাকিব সেয়া নিশ্চিত। তেওঁলোকৰ নেতৃত্বৰ প্ৰতি মানুহৰ বিশ্বাস নাই। কংগ্ৰেছ বহু বছৰলৈকে শাসনলৈ নাহে। আমাৰ দেশৰ দুৰৱস্থা কংগ্ৰেছৰ নীতিৰ ফলতে হৈছে। এই কথা মানুহে বিবেচনাৰে লৈছে। বিৰোধী কেতিয়াও একত্ৰিত হ'ব নোৱাৰে আৰু উন্নয়নমূলক কথাৰ চিন্তা কৰিব নোৱাৰে। তেওঁলোকে কেৱল সমস্যাৰ কথা কৈ মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰীক গালি পাৰিব জানে। পঞ্চায়ত নিৰ্বাচনত ব্যৰ্থতাক লৈ বিৰোধীৰ নৈতিক দায়িত্ব স্বীকাৰ সন্দৰ্ভত তাছাই প্ৰশ্ন কৰে, নৈতিক দায়িত্ব কোনে দিলে তেওঁলোকক? এয়া তেওঁলোকৰ কৰ্মফল। বাৰ্ড সদস্যৰ পৰা সকলোতে মানুহে বিৰোধীক নশ্চাৎ কৰিছে। বহুত ক্ষমতা পোৱাৰ পাছতো কংগ্ৰেছ দল নিঃচিহ্ন হৈ গ'ল বুলি মন্তব্য কৰি কয় যে নিজৰ পেট ভৰাবলৈ চিন্তা কৰিলে কেতিয়াও জনসাধাৰণে লগ নিদিব আৰু প্ৰত্যেক গৰাকী নিৰ্বাচিত প্ৰতিনিধি যথেষ্ট সাৱধান হৈ জনসাধাৰণৰ ইচ্ছা আকাংক্ষাক সন্মান কৰিব লাগিব। লগতে তাছাই কয়, প্ৰতিনিধি মানেই সৰ্বোচ্চ নহয়। জনসাধাৰণৰ ইচ্ছা আকাংক্ষাক সন্মান কৰিব নোৱাৰিলে কোনো সফল প্ৰতিনিধি হ'ব নোৱাৰে। তাছাই কয় যে এজন ৱাৰ্ড সদস্যৰ পৰাই বহুত ডাঙৰ পদবীলৈ যোৱাৰ সম্ভাৱনা আছে। তেওঁ আৰু কয় যে প্ৰতিনিধিসকল স্বচ্ছ ভাবমূৰ্তিৰ হ'ব লাগিব। তাছাই পুনৰ কয় যে আজিৰ প্ৰেক্ষাপটত জনসাধাৰণ বৰ সচেতন। ভূপেন বৰাৰ প্ৰসংগত ভূপেন বৰাক ভগবানে কেৱল মুখখন দিছে, আমি তেওঁৰ কথাত এনজয় কৰোঁ বুলি কৈ তাছাই কয় যে ভাৰতত কংগ্ৰেছেই নাই যেতিয়া ভূপেন বৰাৰ প্ৰাসংগিকতা ক'ত থাকিব। অভিনন্দন অনুষ্ঠানত দুয়োটা মিত্ৰ দলৰে গোলাঘাট জিলাৰ শীৰ্ষ নেতৃত্ব উপস্থিত থাকে।

# অৱশেষত ভাৰতৰ মিছাইল আক্ৰমণ স্বীকাৰ পাক প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ মিছাইল আক্ৰমণ নস্যাৎ কৰি থকা পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফে অৱশেষত ভাৰতৰ মিছাইল আক্ৰমণৰ কথা স্বীকাৰ কৰিলে। ভাৰতীয় সেনাৰ অপাৰেচন সিন্দূৰত পাকিস্তানৰ বায়ুসেনাৰ ঘাটি নুৰ খানত মিছাইলৰ ভয়াৱহ আক্ৰমণ স্বীকাৰ কৰি প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফে কয় যে ৯-১০ মে'ৰ নিশা প্ৰায় ২:৩০ বজাত তেওঁক টোপনিৰ পৰা জগাই সেনাৰ মুৰব্বী জেনেৰেল অছিম মুনিৰে পাকিস্তানৰ ভূমিখণ্ডত ভাৰতৰ আক্ৰমণ হোৱা বুলি অৱগত কৰে। নুৰ খান বায়ুসেনাৰ ঘাটিকে ধৰি কেইবাটাও স্থানত ভাৰতে মিছাইল আক্ৰমণ কৰে বুলিও সেনাপ্ৰধান জেনেৰেল মুনিৰে প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফক অৱগত কৰা বুলি স্বীকাৰ কৰে। পাকিস্তানৰ সামৰিক ঘাটিত নিখুঁত আৰু কৌশলগত আক্ৰমণ ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে চলোৱাত দেশখনৰ সামৰিক ঘাটিত বিস্তৰ ক্ষতিসাধন হৈছে। পেহেলগামত সন্ত্ৰাসবাদীৰ নৰসংহাৰৰ প্ৰত্যাঘাত হিচাপে ভাৰতীয় সেনাই চলোৱা পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত অপাৰেচন সিন্দূৰে পাকিস্তানক বিতত কৰি তুলিছিল। পাকিস্তানী সেনাই জম্মু-কাশ্মীৰৰ এলঅ'চিৰ পৰা সীমান্তৱৰ্তী চাৰি প্ৰদেশত মিছাইল আৰু ড্ৰোনেৰে আক্ৰমণ চলাইছিল যদিও ভাৰতীয় সেনাই তাক সম্পূৰ্ণৰূপে প্ৰতিহত কৰে। ইয়াৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতীয় সেনাই পাকিস্তানৰ ক্ষেপণাস্ত্ৰ প্ৰতিৰক্ষা ব্যৱস্থা, ৰাডাৰ ব্যৱস্থা আৰু ৬টাতকৈ অধিক বায়ুসেনা ঘাটিত প্ৰচণ্ড আক্ৰমণ চলায়। পাকিস্তানে এই আক্ৰমণ অস্বীকাৰ কৰি আহিছিল যদিও পৰ্যায়ক্ৰমে ভাৰতৰ আক্ৰমণ স্বীকাৰ কৰি আহিছে। সেনাই স্বীকাৰ কৰাৰ পাছত অৱশেষত প্ৰধানমন্ত্ৰীগৰাকীয়েও ভাৰতীয় মিছাইল আক্ৰমণৰ সত্যতা প্ৰমাণিত কৰিলে। ইপিনে, ভাৰতৰ আক্ৰমণত ক্ষতিগ্ৰস্ত হোৱা বায়ুসেনা ঘাটিসমূহ মেৰামতি কৰাৰ বাবে পাকিস্তান চৰকাৰে নিবিদা আহ্বান কৰিছে।

# ভিডিঅ' কনফাৰেঞ্চযোগে

খতিয়ান লৈ প্ৰাৰ্থীসকলৰ নিৰ্বাচন প্ৰক্ৰিয়াটো অতিশীঘ্ৰে সম্পূৰ্ণ কৰাত গুৰুত্ব আৰোপ কৰে। এই বৈঠকত অৰুণোদয় ৩.০ ৰূপায়ণ সন্দৰ্ভতো জিলা আয়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিতংভাৱে আলোচনা কৰে। এই আঁচনিখনে যাতে ৰাজ্যখনৰ এক বৃহৎ পৰিসৰৰ জনসাধাৰণক সামৰি ল'ব পাৰে সেই উদ্দেশ্যে হিতাধিকাৰী নিৰ্বাচন, তথ্যসমূহৰ ডিজিটেলাইজেচন আদিৰ জিলাভিত্তিক অগ্ৰগতিৰ খতিয়ান লৈ সময় নিৰ্ধাৰিতভাৱে সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্দেশ দিয়ে। অৰুণোদয় ৩.০ আঁচনিখন যাতে বিটিআৰ অঞ্চলতো সুযমভাৱে ৰূপায়ণ হয় সেই দিশতো মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশেষ গুৰুত্ব আৰোপ কৰে। বিটিআৰ অঞ্চলৰ অন্তৰ্গত জিলা পাঁচখনৰ জিলা আয়ুক্তসকলক এই দিশত হিতাধিকাৰীৰ তালিকা প্ৰস্তুতকৰণ আদিকে ধৰি প্ৰয়োজনীয় সকলো পদক্ষেপ সময় নিৰ্ধাৰিতভাৱে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। উক্ত এই বৈঠকত বিত্তমন্ত্ৰী অজন্তা নেওগ, উদ্যোগ মন্ত্ৰী বিমল বড়া, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপৰি মুখ্য সচিব ড° ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিবেদী আৰু বিত্ত বিভাগৰ আয়ুক্ত সচিব জয়ন্ত নাৰ্লিকাৰকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

# কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকা

বহু পুৰস্কাৰেৰে সন্মানিত হৈছিল গায়ত্ৰী হাজৰিকা। ইয়াৰ ভিতৰত জয়মতী কুঁৱৰী সাহসিকতা বঁটা, প্ৰাগ চিনে এৱাৰ্ড, নিপন গোস্বামী বঁটা অন্যতম। মৃত্যুৰ পাছতে শিল্পীগৰাকীৰ নশ্বৰ দেহ হাস্পতালৰ পৰা পোনে পোনেই গীতানগৰস্থিত বাসভৱনলৈ নিয়া হয়। তাতে ধৰ্মীয় ৰীতি-নীতি সম্পন্ন হোৱাৰ পাছতে গীতানগৰ হাইস্কুল খেলপথাৰলৈ তেওঁৰ মৃতদেহ অনা হয়। তাত সকলো গুণমুগ্ধই শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাছত নৱগ্ৰহ শ্মশানলৈ মৃতদেহ নিয়া হয় আৰু তাতেই অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। বিশিষ্ট শিল্পী গায়ত্ৰী হাজৰিকাৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এমুঠি চিৰসেউজ গীতত কণ্ঠদান কৰি সকলোৰে নয়নৰ মণি হোৱা গায়ত্ৰী হাজৰিকাৰ অসমীয়া সংগীতলৈ আগবঢ়োৱা অৱদানক চিৰদিন অসমবাসীয়ে স্মৰণ কৰিব। শিল্পীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# ENGLISH NEWS SECTION

## Raj Bhavan Assam celebrates Sikkim statehood day




Guwahati, RB News: Raj Bhavan, Assam, under the leadership of Governor Shri Lakshman Prasad Acharya, celebrated the 50th Statehood Day of Sikkim at a solemn function held at the Raj Bhavan Conference Hall.Extending his heartfelt greetings on the golden jubilee of Sikkim's statehood, Governor Shri Acharya lauded the state as a shining example of sustainable development, unity, and cultural richness. "Sikkim, where nature smiles, is not just a state-it is a symbol of determination, harmony, and progress, " he said.The Governor praised Sikkim's unique identity, highlighting its pristine natural environment, its pioneering achievement as India's first fully organic farming state, and its unwavering commitment to ecological preservation. He acknowledged the state's leadership in sectors such as tourism, education, and innovation, underscoring its role as a national model of green development.

## PPFA lauds Assam CM for highlighting Hinglaj Shakti Peeth in Balochistan



GuwahatiRB News: Patriotic People's Front Assam (PPFA), a northeast India-based forum of nationalist citizens, lauds Assam chief minister Himanta Biswa Sarma for highlighting the importance of Hinglaj Mata Mandir in Balochistan locality of south-west Pakistan, citing the link with Maa Kamakhya Devalaya atop Nilachal hills in the city. Amid the growing uprising among Baloch people against the illegal occupation and misrule of Islamabad over their land since 1947, CM Sarma commented that Balochistan holds profound historical and spiritual significance for Hindus, primarily as the sacred home of Hinglaj Mata Temple, one of the 51 revered Shakti-Peeths across Bharat. "Nestled in the rugged terrains of Hingol National Park, the temple (Nani Mandir as Balochs affectionately call) is believed to mark the spot where the forehead of Goddess Sati fell, making it one of the holiest sites in Shaktism," said Sarma on his social media handle, adding, "For centuries, Hindu pilgrims, particularly from the Sindhi, Bhavsar, and Charan communities, have undertaken arduous journeys across deserts to seek blessings at this shrine." The holy place is also deeply respected by the Baloch people, reflecting a rare legacy of inter-communal reverence and shared heritage. Years back, the PPFA urged the Union government in New Delhi to take necessary initiative for revitalizing the Hinglaj temple, which is connected to Kamrup Kamakhya legends. The sacred temple is located in a mountain cave on the bank of Hingol river, which is adjacent to the Makran coast of Arabian Sea. It has an idol of Goddess Shakti (Sati, daughter of Daksha Maharaj), who married Lord Shiva against her father's wish. Mythology narrates that in an important Yagna, organized by proud king Daksha, Sati (Parvati) and Shiva were not invited, but she wanted to attend the ritual. Daksha humiliated Shiva in front of her and facing disgrace, Sati immolated herself. Angry Maheswar arrived there and cut Daksha's head. Then Mahadev took Sati's corpse on his shoulder and started wandering with Tandava Nritya. Finally with an aim to douse Shiva's rage, Lord Vishnu cut Sati's mortal remains into 51 pieces through Sudarsan Chakra. Body parts of Sati fell in various localities on Earth and all locations are today regarded as shrines by the Hindus, said the PPFA statement adding that Sati's forehead with Hingul (sindoor/ vermillion) fell on the place, where the Hinglaj temple is located. The most sacred part (Yoni) fell on Nilachal hills of present-day Guwahati, where the Kamakhya temple is situated.

## Neeraj Chopra breaches 90m mark for the first time ever



RB News: Two-time Olympic medal-winning javelin thrower Neeraj Chopra on Friday breached the 90-metre mark for the first time in his career. The 27-year-old threw 90.23 metres in his third attempt at the Doha Diamond League. His previous career-best throw was 89.94 metres, which he achieved in the Stockholm Diamond League in 2022.

## India A squad for England tour announced




RB News: BCCI on Friday announced India A squad for the tour of England. Abhimanyu Easwaran has been named captain, while Dhruv Jurel has been named vice-captain for the tour. India A and England Lions will engage in two first-class matches at Canterbury and Northampton starting from May 30 which will conclude with a Intra-squad match against Team India (Senior Men). The team also features Yashasvi Jaiswal, Karun Nair, Nitish Kumar Reddy, Shardul Thakur, Ruturaj Gaikwad and Ishan Kishan.

## Praggnanandhaa beats MVL in tiebreaks to win Chess Classic Romania



RB News: India's R Praggnanandhaa clinched Superbet Classic title in Romania after winning three-way tie-break, edging out Maxime Vachier-Lagrave and Alireza Firouzja. The first two clashes- Praggnanandhaa vs Firouzja and Vachier-Lagrave vs Firouzja - ended in draws. Praggnanandhaa defeated MVL in final blitz tie-break to clinch second leg of Grand Chess Tour (GCT), the Superbet Chess Classic Romania 2025.

## Rohit Sharma's parents inaugurate his stand at Wankhede Stadium



Team India ODI captain Rohit Sharma's parents inaugurated their son's stand at Wankhede Stadium in Mumbai. Rohit, his wife Ritika Sajdeh and Maharashtra CM Devendra Fadnavis were present at the inauguration ceremony. Stands named after former BCCI President Sharad Pawar and former India captain Ajit Wadekar were also inaugurated.

# এনাজৰী



ম'বাইলৰ ৰিংটোন ....
স্ক্ৰীনত ভাহি উঠিল ... " মা"
"হেল্লো।"
"হেল্লো! কি কৰি আছা?"
" দিনৰ এটা বজাত আৰু কি কৰি থাকিম মা? অবভিয়াচলি অফিচত।"
"উস্, কোনদিনা যে পোন-পটিয়া প্ৰশ্নৰ পোনপতিয়া উত্তৰ পাম? বাৰু, বাৰু, লাঞ্চ কৰিলা নে?"
"নাই। এই কৰিম আৰু।"
"মোতকৈ ভালকৈ আৰু কোনে জানিব তোমাৰ অভ্যাস! অঃ ৰবাচোন পাৰ্চেলটো তুমি পঠিয়াইছা?"
"অ, মা। সময়মতে খাব কিন্তু।"
"ইমানৰ পাছতো?"

**কবিতা শৰ্মা, গুৰগাঁৱ, হৰিয়ানা**

" মোৰ ডিভোৰ্চে আপোনাৰ লগত হোৱা নাই নহয় মা!
মুহূৰ্তৰ নীৰৱতা ...
"গৈ আছো দুদিন মানতে। বহুত দিন আপোনাৰ লগত গচিপ কৰা হোৱা নাই!"

অণুগল্প

# নিশ্চিত



**মালিনী শইকীয়া**

একাপ চাহৰ পৰিমানে যদি নিমখ মিলাই খাবলৈ দিয়া হয়, তেনে হ'লে গাখীৰৰ ৰং এঙাৰৰ দৰে আৰু এঙাৰৰ ৰং গাখীৰৰ দৰে বুলি ধুম কলা বা অন্ধ লোকৰ আগত কোৱাৰ দৰে নহবনে বাৰু? হয়নে বড়া নিমখৰ স্বাদ, চেণীৰ স্বাদৰ দৰে বুলি কৈ

দুয়োফালৰ খিল খিল হাঁহিত পৰিৱেশ জীপাল .....




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286